সমাজ বিজ্ঞান

তৃতীয় খণ্ড






# ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

নৱম শ্ৰেণীৰ পাঠ্যপুথি



মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ



অহিংসাই পৰম ধৰ্ম

- মহাত্মা গান্ধী



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় হত্যা কৰাজন অসমৰ বৈৰী।

মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ

# পথ সুৰক্ষা

## ছাত্ৰ-ছাত্ৰীয়ে মানিবলগীয়া নিয়ম

**বাছেৰে অহা-যোৱা কৰোঁতে ঃ**

- বাছত উঠাৰ সময়ত ঠেলা-হেঁচা নকৰিব। বাছখন সম্পূৰ্ণৰূপে ৰখিবলৈ দিব।
- এজন এজনকৈ উঠিব।
- বাছত উঠোঁতে হাতৰ ৰেলিংত (handrail) ধৰি উঠিব।
- স্কুল ইউনিফৰ্ম পৰিপাটিকৈ পিন্ধিব। স্কুলবেগ, পানীৰ বটল ইত্যাদি অযথা-উলমলিকৈ দাঙি থাকে বাছত উঠোঁতে এইবোৰে বাধা নিদিব লাগে।
- বাছৰ আসনত আৰামেৰে বহিব।
- খিৰিকীৰে হাত-মূৰ বাহিৰলৈ নুলিয়াব, খিৰিকীৰে থু-পেলাব নেপেলাব।
- বাছৰ পাদানিত উঠি নাথাকিব।
- হঠাতে ব্ৰেক মাৰিলে পৰি নাযাবলৈ কেতিয়াবা দুৰ্ঘটনা যাতে নহয় তাৰ বাবে সতৰ্ক হৈ থাকিব।
- বাছত চিঞৰ-বাখৰ হাই-উৰুমি নকৰিব।
- বাছ চালক আৰু পৰিচালকৰ নিৰ্দেশনা মানিব।
- বাছত অন্য যাত্ৰীক যাতে অসুবিধা নহয় তাৰ প্ৰতি মন ৰাখিব।
- বাছখনৰ নমাৰ সময়ত বাছখন সম্পূৰ্ণৰূপে ৰ'বলৈ দিব।
- বাছৰ সন্মুখৰ দুৱাৰেদি নামিব।
- বাছখনৰ নামোঁতেও ৰেলিংত ধৰি এজন এজনকৈ নামিব।
- বাছৰ দুৱাৰত উঠি নাথাকিব।
- বাছ-বাছ থকাৰ নিৰ্দিষ্ট স্থানতহে বেগ, পানী বটল আদি ৰাখিব।

# পথ সুৰক্ষা

## ছাত্ৰ-ছাত্ৰীয়ে মানিবলগীয়া নিয়ম

**পথেৰে খোজকাঢ়ি যাওঁতে ঃ**

- সদায় বাওঁফালে খোজ কাঢ়িব।
- ট্ৰেফিক সংকেত মানিব।
- পদপথেদি খোজ কাঢ়িব।
- ৰাস্তা পাৰ হওঁতে প্ৰথমতে ৰ'ব, দুয়োফালে চাব, আৰু যদি কোনো গাড়ী-মটৰ আহি থকা নাই বুলি নিশ্চিত হয় তেতিয়াহে পাৰ হ'ব, তাৰ পিছত চাই-চিতি সাৱধানে পাৰ হ'ব।
- পথত 'জেব্ৰা ক্ৰছিং'ৰ চিন থাকিলে 'জেব্ৰা ক্ৰছিং' ব্যৱহাৰ কৰিব।
- পথচাৰীয়ে পদপথ ব্যৱহাৰ কৰিব।
- ৰৈ থকা গাড়ীৰ আগেদি পাৰ হওঁতে আন গাড়ীয়ে যাতে আঘাত নকৰে চাই ল'ব।
- স্কুল বাছ বা বাছৰ মাজেদি দৌৰাদৌৰি নকৰিব।

সমাজ বিজ্ঞান তৃতীয় খণ্ড

# ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

নৱম শ্ৰেণীৰ পাঠ্যপুথি


ৰাজনীতি বিজ্ঞান

লেখক ড° প্ৰাণজিৎ হাজৰিকা

পুনৰীক্ষক ড° দীপ্তি শৰ্মা

Z4H1M7

অৰ্থনীতি বিজ্ঞান

লেখক সৌৰভ প্ৰাণ শৰ্মা

পুনৰীক্ষক ড° দিলীপ কুমাৰ বৰুৱা

ড° ৰাণী মুদিয়াৰ ডেকা

সমন্বয়ক গোলোক চন্দ্ৰ বৰা, শৈক্ষিক বিষয়া

ড° ৰুলিমা ভৰালী, শৈক্ষিক বিষয়া



প্ৰস্তুতি ঃ অসম মাধ্যমিক শিক্ষা পৰিষদ

প্ৰকাশক ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী

**RAJNEETI ARU ARTHANEETI BIGYAN :** A Textbook on Political Science and Economics as Social Science Part-III for class IX in Assamese, prepared and approved by the Board of Secondary Education, Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati, on behalf of Govt. of Assam.

**FREE TEXTBOOK**

**All right reserved**

No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

© *The Assam State Textbook Production and Publication Corporation Limited, Guwahati*

প্ৰথম প্ৰকাশ ঃ ২০১৪
দ্বিতীয় প্ৰকাশ ঃ ২০১৫
তৃতীয় প্ৰকাশ ঃ ২০১৬
চতুৰ্থ প্ৰকাশ ঃ ২০১৭
পঞ্চম প্ৰকাশ ঃ ২০১৮
ষষ্ঠ প্ৰকাশ ঃ ২০১৯
সপ্তম প্ৰকাশ ঃ ২০২০
অষ্টম প্ৰকাশ ঃ ২০২১

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

**প্ৰকাশক** ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

**অক্ষৰ বিন্যাস, অলংকৰণ** ঃ নীলাভ প্ৰিণ্টাৰ্ছ

**মুদ্ৰক** ঃ ৰবী প্ৰিণ্টিং এণ্ড বাইণ্ডিং হাউচ
পানীখাইতী, গুৱাহাটী

# আগকথা

২০১৪ চনত মাধ্যমিক শিক্ষা পৰিষদে নৱম আৰু দশম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম সংশোধন কৰাৰ লগতে 'সমাজ বিজ্ঞান' বিষয়টো মুঠ তিনিটা খণ্ডলৈ ভাগ কৰি তিনিখন পাঠ্যপুথিৰ ৰূপত প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমৰ্মে পৰিষদে এই 'ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান' পাঠ্যপুথিখন সমাজ বিজ্ঞানৰ তৃতীয় খণ্ড হিচাপে প্ৰকাশ কৰিছে। পাঠ্যপুথিখনৰ জৰিয়তে শিক্ষাৰ্থীসকলে যাতে ৰাজনীতি বিজ্ঞানৰ মাধ্যমেৰে গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি উদ্বুদ্ধ হয় তালৈ লক্ষ্য ৰখা হৈছে। আনহাতে, অৰ্থনীতি খণ্ডৰ জৰিয়তে যাতে শিক্ষাৰ্থীসকলে অৰ্থনীতিৰ মৌলিক বিষয়সমূহৰ সম্যক ধাৰণাৰ লগতে নিজৰ জীৱন আৰু দেশৰ বাস্তৱ পৰিস্থিতিত ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰে তাৰ প্ৰতি লক্ষ্য কৰা হৈছে।

পাঠ্যপুথিখন প্ৰস্তুতিৰ লগত জড়িত সকলো সমল ব্যক্তিক পৰিষদৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

পাঠ্যপুথিখনত অজানিতে ৰৈ যাব পৰা ভুল-ত্ৰুটি আৰু পৰৱৰ্তী পৰ্যায়ত ইয়াৰ শুধৰণিৰ বাবে আমাক গঠনমূলক পৰামৰ্শ আগবঢ়াবলৈ গুণী-জ্ঞানী ব্যক্তি, শিক্ষক আৰু পঢ়ুৱৈসকলক অনুৰোধ জনালোঁ।

গুৱাহাটী

সচিব

অসম মাধ্যমিক শিক্ষা পৰিষদ

# সূচীপত্র


| অধ্যায় | | বিষয় | পৃষ্ঠা |
|---|---|---|---|
| | | **প্ৰথম খণ্ড ঃ ৰাজনীতি বিজ্ঞান** | ১ |
| প্ৰথম অধ্যায় | ভাৰতৰ ৰাজনৈতিক দল | | ২ |
| | ১.১ | ৰাজনৈতিক দলৰ ধাৰণা আৰু প্ৰয়োজনীয়তা | ২ |
| | ১.২ | ভাৰতৰ ৰাজনৈতিক দল | ৪ |
| | ১.৩ | আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰাসংগিকতা | ৬ |
| | ১.৩.১ | ভাৰতীয় গণতন্ত্ৰলৈ আঞ্চলিক দলৰ অৱদান | ৭ |
| | ১.৪ | গণতন্ত্ৰত বিৰোধী দলৰ ভূমিকা | ৮ |
| | ১.৫ | মৰ্চা চৰকাৰ | ৯ |
| | ১.৫.১ | মৰ্চা চৰকাৰৰ দোষ | ১০ |
| | ১.৫.২ | মৰ্চা চৰকাৰৰ গুণ | ১০ |
| দ্বিতীয় অধ্যায় | চৰকাৰৰ প্ৰকাৰ বা শ্ৰেণীবিভাগ | | ১৩ |
| | ২.১ | চৰকাৰৰ শ্ৰেণীবিভাগ | ১৩ |
| | ২.১.১ | সংসদীয় পদ্ধতিৰ চৰকাৰ | ১৪ |
| | ২.১.২ | ৰাষ্ট্ৰপতীয় চৰকাৰ | ১৬ |
| | ২.১.৩ | এককেন্দ্ৰীয় চৰকাৰ | ১৯ |
| | ২.১.৪ | যুক্তৰাষ্ট্ৰীয় চৰকাৰ | ২০ |
| | | **দ্বিতীয় খণ্ড ঃ অৰ্থনীতি বিজ্ঞান** | ২৫ |
| প্ৰথম অধ্যায় | অৰ্থনীতিৰ মৌলিক বিষয়সমূহ | | ২৬ |
| | ১.১ | অৰ্থবিজ্ঞানৰ প্ৰয়োজনীয়তা | ২৬ |
| | ১.২ | অৰ্থবিজ্ঞানৰ সংজ্ঞা | ২৭ |
| | ১.২.১ | এডাম স্মিথৰ সংজ্ঞা | ২৭ |
| | ১.২.২ | আলফ্ৰেদ মাৰ্চ্চেলৰ সংজ্ঞা | ২৭ |
| | ১.২.৩ | লায়'নেল ৰবিন্সৰ সংজ্ঞা | ২৮ |
| | ১.২.৪ | ছেমুৱেলছন আৰু নৰ্দহাছৰ সংজ্ঞা | ২৯ |
| | ১.৩ | অৰ্থবিজ্ঞানৰ পৰিসৰ | ২৯ |
| | ১.৪ | অৰ্থবিজ্ঞানৰ কেইটামান মৌলিক ধাৰণা | ৩২ |
| | ১.৫ | ব্যষ্টিবাদী (সূক্ষ্ম) আৰু সমষ্টিবাদী (স্থুল) অৰ্থনীতি | ৩৯ |

| | | | |
|---|---|---|---|
| দ্বিতীয় অধ্যায় | | মূল অৰ্থনৈতিক সমস্যাসমূহ | ৪২ |
| | ২.১ | দৰিদ্ৰতা আৰু অসমতা | ৪২ |
| | ২.১.১ | দৰিদ্ৰতাৰ সংজ্ঞা | ৪২ |
| | ২.১.২ | দৰিদ্ৰতাৰ সীমাৰেখা | ৪৩ |
| | ২.১.৩ | ভাৰতবৰ্ষত দৰিদ্ৰতাৰ ব্যাপকতা | ৪৩ |
| | ২.১.৪ | দৰিদ্ৰতাৰ কাৰণসমূহ | ৪৫ |
| | ২.২ | জনসংখ্যাৰ সমস্যা | ৪৫ |
| | ২.৩ | নিবনুৱা সমস্যা | ৪৭ |
| | ২.৩.১ | নিবনুৱাৰ প্ৰকাৰ | ৪৮ |
| | ২.৩.২ | কৰ্মসংস্থাপনৰ গুণগত মান | ৪৮ |
| | ২.৩.৩ | কৰ্মী-জনসংখ্যা অনুপাত | ৪৮ |
| | ২.৩.৪ | ভাৰতবৰ্ষ তথা অসমত নিবনুৱাৰ হাৰ | ৪৯ |
| | ২.৩.৫ | নিবনুৱা সমস্যাৰ কাৰণ | ৪৯ |
| | ২.৪ | মুদ্ৰাস্ফীতি | ৫০ |
| | ২.৪.১ | মুক্ত আৰু দমিত মুদ্ৰাস্ফীতি | ৫১ |
| | ২.৪.২ | মুদ্ৰাস্ফীতিৰ প্ৰভাৱ | ৫১ |
| | ২.৪.৩ | মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ উপায় | ৫২ |
| | ২.৫ | বহনক্ষম উন্নয়ন | ৫২ |
| | ২.৬ | সেউজ অৰ্থনীতি | ৫৪ |

**ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR CODE ব্যৱহাৰ কৰিব:**

আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু install button স্পৰ্শ কৰক।

OR

Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক।

**মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি—**

1) অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক।
2) আপোনাৰ ভূমিকা বাছনি কৰক-ছাত্ৰ/শিক্ষক/অন্য
3) QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক।
4) প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক।
5) পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক।
6) QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক।

**Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি**

1) QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব।
2) আপোনাৰ ব্ৰাউজাৰত Diksha.Gov.in/as/get টাইপ কৰক।
3) ৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক।
4) উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক।





## প্ৰথম খণ্ড

# ৰাজনীতি বিজ্ঞান







প্ৰথম অধ্যায়

# ভাৰতৰ ৰাজনৈতিক দল

## মূল আলোচ্য বিষয়

- ৰাজনৈতিক দল কি আৰু কিয় প্ৰয়োজন?
- ভাৰতৰ ৰাজনৈতিক দলসমূহ কি কি?
  - ★ ৰাষ্ট্ৰীয় দল
  - ★ আঞ্চলিক দলৰ ভূমিকা কি?
- গণতন্ত্ৰত বিৰোধী দলৰ ভূমিকা কি হোৱা উচিত?
- মৰ্চা চৰকাৰৰ প্ৰাসংগিকতা আৰু ইয়াৰ দোষ-গুণ

### ১.১ ৰাজনৈতিক দলৰ ধাৰণা আৰু প্ৰয়োজনীয়তা ঃ

প্ৰকৃতাৰ্থত ৰাজনৈতিক দলৰ ধাৰণাই গুৰুত্ব লাভ কৰে গণতান্ত্ৰিক ধ্যান-ধাৰণাৰ জন্মৰ লগে লগে। ৰাষ্ট্ৰ পৰিচালনাৰ পুৰণি ৰীতি ৰাজতন্ত্ৰৰ দিনত ৰজা আছিল একচত্ৰী শাসক আৰু তেওঁৰ মুখৰ কথাই আছিল আইন। কিন্তু পৰৱৰ্তী কালত সমগ্ৰ বিশ্বতে ৰাজতন্ত্ৰ ক্ৰমাৎ বিলোপ হ'ল আৰু তাৰ পৰিৱৰ্তে গণতন্ত্ৰৰ ধাৰণাই বিশেষ গুৰুত্ব লাভ কৰিলে। গণতন্ত্ৰৰ জন্মৰ লগে লগেই ৰাজনৈতিক দলেও আত্মপ্ৰকাশ কৰিলে আৰু ই গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ অংগ হৈ পৰিল। বৰ্তমান সময়ত গণতন্ত্ৰ আৰু ৰাজনৈতিক দল দুয়োটাই এটা আনটোৰ পৰিপূৰক। ৰাজনৈতিক দল অবিহনে যেনেকৈ গণতন্ত্ৰ অচল, ঠিক একেদৰে গণতন্ত্ৰৰ অবিহনে ৰাজনৈতিক দল অৰ্থহীন। ৰাজনৈতিক দল হৈছে শাসক

আৰু জনসাধাৰণৰ মাজৰ এক যোগসূত্ৰ। ই সৰ্বসাধাৰণক প্ৰশাসনৰ ওচৰ চপাই নিয়ে।

পৃথিৱীৰ প্ৰত্যেকখন গণতান্ত্ৰিক ৰাষ্ট্ৰতে ৰাজনৈতিক দল অথবা দলীয় প্ৰথাৰ ব্যৱস্থা আছে। এই দলীয় প্ৰথা হয়তো ক'ৰবাত একদলীয়, ক'ৰবাত দ্বিদলীয় আৰু ক'ৰবাত বহুদলীয়। **বৰ্তমান সময়ত চীনকে ধৰি কেইবাখনো সাম্যবাদী ৰাষ্ট্ৰত এক দলীয় ব্যৱস্থা অথবা এটা ৰাজনৈতিক দল (সাম্যবাদী দল) থকাৰ বিপৰীতে ইংলেণ্ড, আমেৰিকা আদি দেশত দ্বিদলীয় আৰু ভাৰতবৰ্ষ, বাংলাদেশ, পাকিস্তান আদি দেশত বহুদলীয় ব্যৱস্থা আছে।**

**সাম্যবাদী ৰাষ্ট্ৰ মাত্ৰেই একদলীয় ব্যৱস্থা প্ৰচলিত নেকি? অধিক তথ্য শিক্ষক, ইণ্টাৰনেট আদিৰ সহায়ত সংগ্ৰহ কৰা।**

একদলীয় শাসন ব্যৱস্থা থকা ৰাষ্ট্ৰক বহুতে প্ৰকৃত গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি ক'ব নোখোজে যদিও তেনে ৰাষ্ট্ৰই কিন্তু গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলিয়েই দাবী কৰে। দ্বিদলীয় ব্যৱস্থাত দেশৰ জনসাধাৰণৰ সন্মুখত দুটা প্ৰধান ৰাজনৈতিক দল থাকে আৰু তেওঁলোকে দলীয় নীতি-আদৰ্শ পচন্দ কৰি যি কোনো এটা দলক সমৰ্থন কৰে বা সদস্য হয়। ইয়াৰ বিপৰীতে ভাৰতবৰ্ষৰ দৰে দেশত থকা বহুদলীয় ব্যৱস্থাটো প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা বুলিব পাৰি। এটা কথা লক্ষ্য কৰা গৈছে যে বহুদলীয় ব্যৱস্থা থকা গণতন্ত্ৰতকৈ দ্বিদলীয় ব্যৱস্থা থকা গণতন্ত্ৰ অধিক সুস্থিৰ আৰু সবল। বহুদলীয় ব্যৱস্থা থকা গণতন্ত্ৰত সঘনাই সৃষ্টি হ'ব পৰা ৰাজনৈতিক সংকট দ্বিদলীয় ব্যৱস্থাত দেখা নাযায়।

**ইংলেণ্ড নাইবা আমেৰিকাৰ ৰাজনৈতিক ব্যৱস্থাৰ লগত ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা আৰু সংকট তুলনা কৰি চোৱা।**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ বাবে ৰাজনৈতিক দল অপৰিহাৰ্য্য। ৰাজনৈতিক দল অবিহনে বৰ্তমান গণতন্ত্ৰৰ ধাৰণা অমূলক। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত একোটা ৰাজনৈতিক দলৰ বাবে অত্যন্ত প্ৰয়োজনীয় বৈশিষ্ট্য কেইটা হৈছে— (ক) সংগঠন, (খ) নীতি-আদৰ্শ আৰু আঁচনি, (গ) ক্ষমতা দখলৰ বাবে আকাংক্ষা, (ঘ) জাতীয় স্বাৰ্থৰ প্ৰতি সন্মান। এইকেইটা বৈশিষ্ট্যৰে সৃষ্টি হোৱা ৰাজনৈতিক দলৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত প্ৰধান কাম হ'ল— (ক) জনগণক ৰাজনৈতিক শিক্ষা প্ৰদানেৰে শিক্ষিত কৰা,



*সুৰেন্দ্ৰনাথ বেনাৰ্জী*

(খ) জনগণৰ মনত ৰাজনৈতিক সজাগতা বৃদ্ধি কৰা, (গ) জনমত গঠন কৰা, (ঘ) জনমতক সু-সংগঠিত ৰূপ দিয়া। ইয়াৰ উপৰি গণতন্ত্ৰত জনগণে চৰকাৰ গঠন প্ৰক্ৰিয়াত অংশ লোৱাৰ পৰিৱেশ সৃষ্টি কৰাটোও ৰাজনৈতিক দলৰ আন এক দায়িত্ব। নিৰ্বাচনত জয়ী হৈ চৰকাৰ গঠন কৰা ৰাজনৈতিক দলটোৰ উপৰি বিৰোধীৰ আসনত থকা ৰাজনৈতিক দলেও চৰকাৰৰ কাম-কাজৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখে। প্ৰয়োজন সাপেক্ষে গঠনমূলক সমালোচনাৰে চৰকাৰক উচিত পথত অগ্ৰসৰ হ'বলৈও আহ্বান জনায়। গতিকে এটা কথা স্পষ্ট যে **এখন সুস্থ-সবল গণতান্ত্ৰিক ৰাষ্ট্ৰ গঢ় দিয়াত ৰাজনৈতিক দল হ'ব লাগিব অতন্দ্ৰ প্ৰহৰী।**

## ১.২ ভাৰতৰ ৰাজনৈতিক দল ঃ



*উমেশ চন্দ্ৰ বেনাৰ্জী*

ভাৰতবৰ্ষত ৰাজনৈতিক দলৰ ইতিহাস বিচাৰিবলৈ গ'লে আমি উভতি যাব লাগিব ১৮৮৫ চনলৈ। এই চনতে **ভাৰতৰ প্ৰথম ৰাজনৈতিক দল ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল**। এজন অৱসৰপ্ৰাপ্ত আই. চি. এছ বিষয়া এলেন অক্টেভিয়ান হিউমৰ নেতৃত্বত এই দলটোৱে জন্মলাভ কৰিছিল। ই দেশৰ প্ৰথমটো ৰাজনৈতিক দল হিচাপে পৰাধীন ভাৰতৰ জনগণৰ আশা-আকাংক্ষাক প্ৰতিফলন কৰা এটা প্ৰধান অনুষ্ঠান হৈ পৰিছিল। বহুতে ১৮৭৬ চনত এছ. এন. বেনাৰ্জীৰ নেতৃত্বত গঠিত হোৱা **দি ইণ্ডিয়ান এছ'চিয়েচন**ক দেশৰ প্ৰথমটো ৰাজনৈতিক দল বুলি ক'ব বিচাৰে যদিও ই দল নহৈ এটা ৰাজনৈতিক সংগঠনহে আছিল। **উমেশ চন্দ্ৰ বেনাৰ্জী** আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম সভাপতি



*ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ, ১৮৮৫*

আৰু তেওঁৰ সভাপতিত্বত দলৰ প্ৰথম অধিৱেশন বহিছিল **বোম্বাই** (বৰ্তমানৰ মুম্বাই) চহৰত। জাতীয় কংগ্ৰেছৰ পিছতে ১৯০৬ চনত **মুছলিম লীগ** নামৰ দলটোৰ জন্ম হয়। তৃতীয়টো ৰাজনৈতিক দল আছিল **হিন্দু মহাসভা** (১৯১৬)। চতুৰ্থ ৰাজনৈতিক দলটো আছিল **স্বৰাজ পাৰ্টী**। ১৯২২ চনত চিত্তৰঞ্জন দাস আৰু মতিলাল নেহেৰুৰ নেতৃত্বত জন্ম হোৱা এই দলটো পিছলৈ ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত চামিল হয়।



*সৰ্বভাৰতীয় মুছলিম লীগ*

ভাৰতবৰ্ষৰ ইতিহাসৰ প্ৰথমটো বাওপন্থী দল— **ভাৰতীয় সাম্যবাদী দল**টোৰ জন্ম হৈছিল ১৯২৪ চনত। **কাৰ্ল মাৰ্ক্সৰ সাম্যবাদী আদৰ্শক কেন্দ্ৰ কৰি জন্ম হোৱা এই দলটো আছিল পৰাধীন ভাৰতত জন্মলাভ কৰা পঞ্চমটো ৰাজনৈতিক দল**। ১৯৩৮ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মাজত **ছ'চিয়েলিষ্ট ফ'ৰাম** নামৰ এটা সাম্যবাদী আদৰ্শৰ গোটে গঢ় লৈছিল। ইয়েই স্বাধীনতাৰ পিছত **সমাজবাদী দল** হিচাপে মূৰ দাঙি উঠে।



*কাৰ্ল মাৰ্ক্স*

দেশে স্বাধীনতা লাভ কৰাৰ পিছত সমগ্ৰ ভাৰততে ৰাজনৈতিক দল গঠনৰ জোৱাৰ উঠিল। **প্ৰথমটো সাধাৰণ নিৰ্বাচনতে (১৯৫২) পঞ্চাশৰো অধিক ৰাজনৈতিক দলে অংশ লৈছিল**। ইয়াৰ মাত্ৰ ১৪ টা দলহে সৰ্বভাৰতীয় শ্ৰেণীৰ আছিল। বাকীবিলাক আছিল ৰাজ্যিক আৰু আঞ্চলিক পৰ্য্যায়ৰ। প্ৰথম সাধাৰণ নিৰ্বাচনৰ আগে আগে ইতিমধ্যে থকা ছ'চিয়েলিষ্ট ফ'ৰামে কৃষক মজদুৰ পাৰ্টীৰ সৈতে লগ লাগি **প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টী**ৰ জন্ম দিলে। ক্ৰমান্বয়ে ভাৰতৰ ৰাজনৈতিক দৃশ্যপটত উদ্ভৱ হোৱা আনবোৰ দল হ'ল— স্বতন্ত্ৰ দল, ভাৰতীয় ক্ৰান্তি দল, জনসংঘ, মাৰ্ক্সবাদী সাম্যবাদী

দল, জনতা দল, ভাৰতীয় লোক দল, ভাৰতীয় জনতা দল আদি। বিগত দিনবিলাকত একোজন বিশেষ ৰাজনৈতিক নেতাক কেন্দ্ৰ কৰিও একো একোটা ৰাজনৈতিক দলে দেশত আত্মপ্ৰকাশ কৰা দেখা যায়।

**সম্প্ৰতি ভাৰতৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেতবোৰ মুখ্য ৰাজনৈতিক দল হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জনতা দল, ভাৰতীয় কমিউনিষ্ট পাৰ্টী, ভাৰতীয় কমিউনিষ্ট পাৰ্টী (মাৰ্ক্সবাদী), তৃণমূল কংগ্ৰেছ, আম আদমি দল ইত্যাদি।**

## ১.৩ আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰাসংগিকতা ঃ

আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম ভাৰতৰ দলীয় ব্যৱস্থাৰ এটা উল্লেখযোগ্য দিশ। যোৱাটো শতিকাৰ ষাঠিৰ দশকত ভাৰতবৰ্ষৰ প্ৰথমটো আঞ্চলিক দল ডি. এম. কে. (দ্ৰাবিড় মুন্নেত্ৰা কাজাগম)ৰ জন্মৰ লগে লগেই আঞ্চলিকতাবাদী চিন্তাধাৰাৰে পুষ্ট আন কিছুমান আঞ্চলিক ৰাজনৈতিক দলে দেশখনত আত্মপ্ৰকাশ কৰে। বিশেষকৈ যোৱা শতিকাৰ আশীৰ দশকত বহু বেছি সংখ্যক আঞ্চলিক দলৰ জন্ম হোৱা বাবেই সেই দশকটোক **আঞ্চলিক ৰাজনৈতিক দলৰ সোণালী দশক** বুলি কোৱা হয়।

ভাষা, ধৰ্ম, সংস্কৃতিৰ বৈচিত্ৰ্যৰে ভৰা ভাৰতবৰ্ষত, বিভিন্ন অঞ্চল আৰু জাতি-জনগোষ্ঠীয়ে স্বকীয় চিনাকি আৰু স্বাৰ্থ অক্ষুণ্ণ ৰাখিবৰ বাবে কৰা প্ৰচেষ্টাৰ বাবে বহুতো আঞ্চলিক দলে দেশখনত আত্মপ্ৰকাশ কৰে। তদুপৰি সাংস্কৃতিক ভিন্নতাৰে পৰিপূৰ্ণ এইখন দেশত এটা অখণ্ড জাতীয়তাবাদী ভাৱধাৰা দীৰ্ঘদিন ধৰি ৰখাটো কিছু জটিল। বিশেষকৈ চতুৰ্থ সাধাৰণ নিৰ্বাচন (১৯৬৭)ৰ পিছৰ পৰা ভাৰতবৰ্ষত ক্ৰমাৎ আঞ্চলিকতাবাদী চিন্তাধাৰা বেছি প্ৰকট হোৱা পৰিলক্ষিত হয়।

আঞ্চলিক ৰাজনৈতিক দলৰ **জন্মৰ মূল কাৰণ** হিচাপে চিনাক্ত কৰিব পৰা বিষয়সমূহ থোৰতে এনেধৰণৰ— (ক) সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বৈষম্যমূলক নীতি, (খ) দেশখনৰ বিভিন্ন ভাষিক আৰু ধৰ্মীয় গোষ্ঠীৰ মাজত থকা ভিন্নতা, (গ) সংখ্যালঘুসকলৰ মাজত থকা নিৰাপত্তাহীনতাৰ ভাৱ, (ঘ)কেন্দ্ৰীয় চৰকাৰৰ অধিক কেন্দ্ৰীকৰণৰ প্ৰৱণতা আৰু ৰাজ্যিক সম্পদসমূহৰ ওপৰত অধিক কৰ্তৃত্ব লাভৰ প্ৰচেষ্টা, (ঙ) সকলো ৰাজ্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সমদৃষ্টিৰ অভাৱ, (চ) ৰাষ্ট্ৰীয় দলৰ বা কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক নেতাৰ দুৰ্বলতা আদি।

বৰ্তমান ভাৰতবৰ্ষত থকা উল্লেখযোগ্য আঞ্চলিক ৰাজনৈতিক দলবিলাক হ'ল— ডি.এম. কে., এ. আই. ডি. এম. কে. (তামিলনাডু), আকালি দল (পাঞ্জাৱ), তেলেগু দেশম (অন্ধ্ৰপ্ৰদেশ), নেচনেল কনফাৰেঞ্চ (জম্মু কাশ্মীৰ), অসম গণ পৰিষদ (অসম), মিজো নেচনেল ফ্ৰণ্ট (মিজোৰাম), শিৱসেনা (মহাৰাষ্ট্ৰ), নাগালেণ্ড পিপুল্‌চ কনফাৰেঞ্চ (নাগালেণ্ড), ঝাৰখণ্ড মুক্তি মৰ্চা (ঝাৰখণ্ড) আদি। উপৰোক্ত দলবিলাকৰ ভিতৰৰ

কেইবাটাও আঞ্চলিক দলে ৰাজ্যত চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱাৰ লগতে কেন্দ্ৰত চৰকাৰ গঠনৰ ক্ষেত্ৰতো অংশীদাৰ হ'ব পাৰিছে।

### ১.৩.১ ভাৰতীয় গণতন্ত্ৰলৈ আঞ্চলিক দলৰ অৱদান ঃ

ভাৰতবৰ্ষৰ দলীয় ব্যৱস্থাত আঞ্চলিক ৰাজনৈতিক দলৰ আবিৰ্ভাৱৰ দিশটো নিতান্তই তাৎপৰ্যপূৰ্ণ। আঞ্চলিক দলৰ জন্ম হয় সময় আৰু পৰিস্থিতিৰ আহ্বানত। মানুহৰ মনত সৃষ্টি হোৱা ক্ষোভ আৰু অসন্তুষ্টিৰ ফলতেই বহুকেইটা আঞ্চলিক দলৰ জন্ম হৈছে। বহুতৰ মতে আঞ্চলিক দল ভাৰতৰ ৰাজনীতিৰ বাবে আশীৰ্বাদ নহ'লেও কোনো কাৰণত অভিশাপ নহয়। এখন শক্তিশালী গণতান্ত্ৰিক ভাৰতবৰ্ষ সৃষ্টিত অঞ্চলবিলাকৰ সমস্যাসমূহ সমাধানেৰেহে জনসাধাৰণক গণতন্ত্ৰৰ প্ৰকৃত স্বাদ দিব পৰা যায়। এনে বৃহত্তৰ স্বাৰ্থত আঞ্চলিক দলবিলাকে যদি নিষ্ঠা সহকাৰে কাম কৰে তেন্তে নিশ্চয়কৈ এনে দলবিলাকৰ প্ৰাসংগিকতা সদায়েই থাকিব।

আঞ্চলিক দলৰ জন্মই ভাৰতবৰ্ষত 'একক দলৰ প্ৰাধান্যতা'ত এটা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান আনিলে। এনে দলৰ সৃষ্টিয়ে দেশৰ ৰাজনীতিত এটা নতুন জোকাৰণি আনিবলৈ সক্ষম হ'ল। দ্বিতীয়তে, কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ ক্ষেত্ৰত আঞ্চলিক দলৰ জন্মই এক যোগাত্মক দিশ প্ৰদান কৰিলে। এই বিষয়টোৱে দেশৰ ৰাজনীতিত বিশেষ গুৰুত্ব পোৱাৰ বাবেই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাক নতুন ৰূপ দিয়াৰ চিন্তা-চৰ্চা চলিল। তৃতীয়তে, আঞ্চলিক দলৰ জন্মই দেশৰ ৰাজনীতিত তৃণমূল পৰ্য্যায়ৰ জনগণৰ অংশগ্ৰহণ অধিক সক্ৰিয় কৰিলে। চতুৰ্থতে, কেন্দ্ৰৰ ৰাজনীতিত আঞ্চলিক দলবিলাকৰ গুৰুত্বপূৰ্ণ ভূমিকাই সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ আধিপত্য কিছু সীমাবদ্ধ কৰি গণতান্ত্ৰিক ভাৱধাৰাক সবল কৰিলে। অৱশ্যে আঞ্চলিক দলবিলাকে এখন শক্তিশালী ভাৰতবৰ্ষ সৃষ্টিত হেঙাৰ তৰে আৰু সৰ্বভাৰতীয় দৃষ্টিভংগীৰে এটা সবল ভাৰতীয় জাতি নিৰ্মাণত বাধা প্ৰদান কৰে বুলিও বহুতে ক'ব বিচাৰে।

## চি ন্ত নী য়

**স্বাধীনতাৰ পিছত ভাৰতবৰ্ষত সুদীৰ্ঘকাল ৰাষ্ট্ৰীয় ৰাজনৈতিক দল 'ভাৰতীয় জাতীয় কংগ্ৰেছে' চৰকাৰ চলাই ভাৰতৰ জাতীয় একতা প্ৰত্যাশিতভাৱে বৃদ্ধি কৰিব পাৰিছিলনে? পৃথিৱীৰ সৰ্ববৃহৎ গণতন্ত্ৰস্বৰূপ ভাৰতবৰ্ষত উক্ত সময়ছোৱাত গণতান্ত্ৰিক পৰম্পৰা কিমান সবল হৈছিল? ভাৰতবৰ্ষ উন্নতিৰ দিশত কিমান আগুৱাই গ'ল?**

**'অসম গণ পৰিষদ'ৰ দৰে আঞ্চলিক ৰাজনৈতিক দলে অসমত চৰকাৰ চলাই অসমৰ আঞ্চলিক স্বাৰ্থ ৰক্ষা কৰি প্ৰত্যাশিতভাৱে অসমৰ বিকাশ সাধন কৰিব পাৰিছিলনে?**

## ১.৪ গণতন্ত্ৰত বিৰোধী দলৰ ভূমিকা ঃ

গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত বিৰোধী দলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শক্তিশালী বিৰোধী দল অবিহনে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰই প্ৰকৃত সফলতা লাভ কৰিব নোৱাৰাৰ লগতে জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰিব নোৱাৰে। ভাৰতবৰ্ষত চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ সময়লৈকে স্বীকৃত কোনো বিৰোধী দল নাছিল (যিহেতু ভাৰতীয় জাতীয় কংগ্ৰেছক বাদ দি কোনো দলেই ৫০ খন আসন লাভ কৰা নাছিল)। কিন্তু পৰৱৰ্তী কালত বিৰোধী দলৰ স্থিতি লাভ কৰিবলৈ কেইবাটাও দল সক্ষম হ'ল। প্ৰকৃততে ১৯৭৭ চনৰ পিছৰ পৰাহে আমাৰ দেশত বিৰোধী দলৰ ভূমিকা কিছু স্পষ্ট ৰূপত দৃষ্টিগোচৰ হয়। পৃথিৱীৰ প্ৰত্যেকখন গণতান্ত্ৰিক ৰাষ্ট্ৰতে বিৰোধী দলে লোৱা বলিষ্ঠ ভূমিকাই গণতন্ত্ৰক জনপ্ৰিয় চৰকাৰ ৰূপে প্ৰতিষ্ঠা কৰাত সহায় কৰিছে। বিৰোধী দলৰ সবল ভূমিকা থকা দুখন উল্লেখযোগ্য ৰাষ্ট্ৰ হ'ল— আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ড (গ্ৰেট ব্ৰিটেইন)।

এখন গণতান্ত্ৰিক দেশত শাসনত থকা দলটোৰ বিপৰীতে বিৰোধীৰ আসনত থকা বিৰোধী দলৰ ভূমিকা কেনে হ'ব লাগে এই লৈ ৰাজনৈতিক পণ্ডিতসকলে বহুতো পৰামৰ্শ আগবঢ়াইছে। প্ৰধানতঃ বিৰোধী দলৰ কৰণীয় এনেধৰণৰ—

১। জনসাধাৰণৰ আৰু দেশৰ স্বাৰ্থক সুৰক্ষা দিয়াত আৰু সংবিধানৰ পবিত্ৰতা ৰক্ষা কৰাত বিৰোধী দলে অতন্দ্ৰ প্ৰহৰীৰ দৰে কাম কৰিব লাগে।

২। শাসনত থকা দলটোৱে যাতে জাতীয় স্বাৰ্থৰ বিপৰীতে গৈ কোনো কাৰ্য্য কৰিব নোৱাৰে তাৰ প্ৰতি চকু ৰখা।

৩। চৰকাৰৰ আঁচনি আৰু পৰিকল্পনাবিলাক পৰ্য্যবেক্ষণ কৰি প্ৰয়োজন হ'লে চৰকাৰক সংসদৰ মজিয়াত সমালোচনা কৰা।

৪। জনসাধাৰণৰ অভাৱ-অভিযোগ, আশা-আকাংক্ষাক সংসদৰ মজিয়াত দাঙি ধৰা।

৫। প্ৰয়োজন সাপেক্ষে বিকল্প চৰকাৰ গঠনৰ বাবে সাজু থকা।

৬। জনমত গঠন কৰা।

৭। চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা পাৰ্থক্য দূৰ কৰা।

৮। জনগণক ৰাজনৈতিক শিক্ষা প্ৰদানেৰে ৰাজনৈতিক সজাগতা বৃদ্ধি কৰা।

৯। জনমতৰ প্ৰতি চৰকাৰক সজাগ, দায়বদ্ধ আৰু জবাবদিহী কৰা।

১০। চৰকাৰে যাতে স্বেচ্চাচাৰীভাৱে শাসন চলাব নোৱাৰে সেইক্ষেত্ৰত চোকা নজৰ ৰখা।

১১। প্ৰয়োজন সাপেক্ষে উচিত দিহা পৰামৰ্শ আৰু গঠনমূলক সমালোচনাৰে চৰকাৰৰ কাম-কাজক গতিশীলতা প্ৰদান কৰা।

## ১.৫ মৰ্চা চৰকাৰ ঃ

যেতিয়া কোনো এটা বিশেষ ৰাজনৈতিক দলে একক সংখ্যা গৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিবলৈ অপাৰগ হয় তেতিয়া কেইবাটাও ৰাজনৈতিক দল একগোট হৈ চৰকাৰ গঠন কৰে। এনে চৰকাৰকে মৰ্চা চৰকাৰ বোলা হয়। মৰ্চাত যোগ দিয়া দলবিলাকৰ আদৰ্শ ভিন্ন হ'লেও ক্ষমতা দখলৰ স্বাৰ্থত এনে দলবিলাকে নিজা স্বাৰ্থ আৰু আদৰ্শ মোকাবিলা কৰি আৰু উমৈহতীয়া লক্ষ্য বান্ধি চৰকাৰ গঠন কৰিবলৈ জোঁট বন্ধনত আৱদ্ধ হয়।

মৰ্চা অথবা সংযুক্ত চৰকাৰৰ ব্যৱস্থাটোৱে বৰ্তমান সময়ত বিশেষ গুৰুত্ব লাভ কৰাৰ অন্তৰালত থকা কাৰণকেইটা হৈছে—

(১) ৰাজনৈতিক দলৰ সংখ্যা বৃদ্ধি, (২) একক ৰাজনৈতিক দলৰ প্ৰাধান্য হ্ৰাস, (৩) এটা নিৰ্বাচনত কোটি কোটি টকা খৰচ হোৱাৰ পিছত যদি চৰকাৰ গঠনত জটিলতা আহে তেন্তে পুনৰ নিৰ্বাচন পাতি চৰকাৰী ধনৰ অপব্যয় হ'বলৈ নিদিয়াৰ চেষ্টাত মৰ্চা চৰকাৰ গঠন হয়। (৪) চৰকাৰত আঞ্চলিক প্ৰতিনিধিত্বৰ বিষয়টোৱেও মৰ্চা চৰকাৰ গঠনত গুৰুত্ব পায়।

মৰ্চা অথবা সংযুক্ত চৰকাৰৰ ধাৰণাটো আমাৰ দেশত বৰ বেছি পুৰণি নহয়। স্বাধীনতাৰ পৰৱৰ্তী কালত ভাৰতৰ ৰাজনীতিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ আধিপত্য থকালৈকে মৰ্চা চৰকাৰৰ ধাৰণাৰ সৃষ্টি হোৱা নাছিল। ১৯৪৭ চনৰ পৰা ১৯৬৭ চনলৈকে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে ভাৰতীয় জাতীয় কংগ্ৰেছে শাসন বৰ্তাই ৰাখিছিল। সেইখিনি সময়ত মৰ্চা চৰকাৰ গঠনৰ প্ৰসংগ অহা নাছিল। কিন্তু পিছলৈ 'এক দলৰ আধিপত্য' (single party dominance)ৰ ক্ষেত্ৰত প্ৰত্যাহ্বান অহাত মৰ্চা চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। **কেন্দ্ৰত ১৯৭৭ চনত মোৰাৰজী দেশাইৰ নেতৃত্বত প্ৰথমখন মৰ্চা চৰকাৰ গঠন হয়**। জনতা দলৰ এই সংযুক্ত চৰকাৰ ১৯৭৯ চনত পতন হোৱাৰ পিছত ১৯৭৯ চনৰ অক্টোবৰ মাহত চৰণ সিঙৰ নেতৃত্বত আন এক মৰ্চাই চৰকাৰ গঠন কৰে। এই চৰকাৰখনো স্থায়ী নহ'ল। ইয়াৰ পিছৰ দুটা নিৰ্বাচনত কংগ্ৰেছে ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল যদিও ১৯৮৯ চনৰ পৰা ২০১৪ চন পৰ্যন্ত কেন্দ্ৰত মৰ্চা চৰকাৰ অব্যাহত থাকে।



*মোৰাৰজী দেশাই*

**শেহতীয়াকৈ ২০১৪ চনৰ এপ্ৰিল-মে' মাহত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰি নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ২০১৪ চনৰ ২৬ মে' তাৰিখে চৰকাৰ গঠন কৰে। ইয়াৰ লগে লগে মনমোহন সিং নেতৃত্বাধীন UPA (মৰ্চা) চৰকাৰখনৰ পতন ঘটে আৰু ভাৰতত পুনৰ একদলীয় শাসন আৰম্ভ হয়।**

কেন্দ্ৰত থকাৰ দৰে ভালকেইখন ৰাজ্যতো মৰ্চা চৰকাৰে কাৰ্যনিৰ্বাহ কৰিছে। কেন্দ্ৰত ইতিমধ্যে চৰকাৰ গঠন কৰা মৰ্চাসমূহ আছিল— ইউনাইটেড ফ্ৰন্ট, সংযুক্ত গণতান্ত্ৰিক মৰ্চা (United Progressive Alliance– UPA) আৰু ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা (National Democratice Alliance– NDA)।

### ১.৫.১ মৰ্চা চৰকাৰৰ দোষ ঃ

বিশ্বৰ বহুতো ৰাষ্ট্ৰত মৰ্চা চৰকাৰ গঠন হোৱা পৰিলক্ষিত হৈছে যদিও এই চৰকাৰ দোষমুক্ত নহয়। ইয়াৰ প্ৰধান দোষ সমূহ হ'ল এনেধৰণৰ—

১। **ক্ষণস্থায়ী অথবা অস্থিৰ ঃ** মৰ্চা চৰকাৰৰ আটাইতকৈ ডাঙৰ দোষটো হৈছে ইয়াৰ অস্থিৰতা। মৰ্চাত অংশ গ্ৰহণ কৰা দলসমূহৰ নিজা স্বাৰ্থত আঘাত পৰিলে তেনে দলে যিকোনো সময়তে সমৰ্থন উঠাই লোৱাৰ সম্ভাৱনা থাকে। ফলত কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগেয়ে এনে চৰকাৰৰ পতন ঘটে।

২। **দুৰ্বল চৰকাৰ ঃ** মৰ্চা চৰকাৰ সাধাৰণতে দুৰ্বল হয়। অংশ গ্ৰহণকাৰী সকলো দলকে সন্তুষ্ট ৰাখিব লগীয়া হোৱাৰ বাবে এই চৰকাৰ কোনো বিষয়তে দৃঢ়তাৰে আগবাঢ়িব নোৱাৰে।

৩। **দীৰ্ঘম্যাদী আঁচনি গ্ৰহণত জটিলতা ঃ** মৰ্চা চৰকাৰ স্থায়ীত্বৰ ক্ষেত্ৰত দুৰ্বল হোৱা বাবে দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰি কাৰ্যকৰী কৰাত জটিলতাৰ উদ্ভৱ হয়।

৪। **অংশীদাৰী দলৰ আকাংক্ষা ঃ** মৰ্চা চৰকাৰৰ অংশীদাৰ দলসমূহত বহুতো ৰাজনৈতিক নেতা থাকে আৰু বহু সময়ত তেওঁলোকৰ মূল লক্ষ্য হৈ পৰে ৰাজনৈতিক সুবিধা লাভ। ক্ষমতালোভী এনে নেতাৰ ব্যক্তিগত স্বাৰ্থই চৰকাৰখনক জনস্বাৰ্থবিৰোধী ৰূপ দিয়ে।

৫। **জাতীয় স্বাৰ্থ বিঘ্নিত হোৱাৰ আশংকা ঃ** চৰকাৰ গঠনৰ স্বাৰ্থত মৰ্চাই বহু ক্ষেত্ৰত ক্ষুদ্ৰ আঞ্চলিক আৰু সাম্প্ৰদায়িক স্বাৰ্থক অগ্ৰাধিকাৰ দিব লগা হয়। ইয়াৰ ফলত জাতীয় স্বাৰ্থত আঘাত পৰাৰ শংকা থাকে।

৬। **ব্যয়বহুল ঃ** মৰ্চা চৰকাৰ বহু ক্ষেত্ৰত ব্যয়বহুল হয়। বিশেষকৈ সকলো অংশীদাৰ দলক মন্ত্ৰী সভাত স্থান দিয়াৰ স্বাৰ্থত প্ৰয়োজনহীনভাৱে মন্ত্ৰীসভাৰ কলেৱৰ বৃদ্ধি কৰিবলগীয়া হয় আৰু যিয়ে ৰাজহুৱা ধনৰ অপচয় ঘটায়।

### ১.৫.২ মৰ্চা চৰকাৰৰ গুণ ঃ

উপৰোক্ত দোষবিলাক থকা সত্ত্বেও মৰ্চা চৰকাৰৰ গুণ নথকা নহয়। ইয়াৰ গুণসমূহ এনেধৰণৰ—

১। **পৰিস্থিতি আৰু সময় সাপেক্ষ ঃ** মৰ্চা চৰকাৰ পৰিস্থিতি আৰু সময় সাপেক্ষ। পৰিৱৰ্তিত ৰাজনৈতিক পৰিৱেশ আৰু পৰিস্থিতিত মৰ্চা চৰকাৰ গঠন ভাৰতবৰ্ষৰ দৰে বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত সুস্থিৰতা বজাই ৰখাৰ ক্ষেত্ৰত অতীৱ প্ৰয়োজন।

২। **অস্বেচ্ছাচাৰী চৰকাৰ ঃ** একক সংখ্যাগৰিষ্ঠতা লাভ কৰি এক দলীয় চৰকাৰ

গঠন হ'লে চৰকাৰখন স্বেচ্ছাচাৰী হোৱাৰ আশংকা অধিক। বহু ক্ষেত্ৰত এনে চৰকাৰে বিধান মণ্ডলত সংখ্যাগৰিষ্ঠতাৰ সুবিধা লৈ জনস্বাৰ্থবিৰোধী কাম কৰিবলৈও সংকোচবোধ নকৰে। কিন্তু মৰ্চা চৰকাৰত এনে শংকা কম। কিয়নো যিকোনো সিদ্ধান্তই মৰ্চাৰ অংশীদাৰ দলবিলাকৰ মাজত হোৱা যথোচিত আলোচনাৰ পিছতহে লোৱা সম্ভৱ। ফলত ক্ষমতাৰ অপব্যৱহাৰ আৰু স্বেচ্ছাচাৰী হোৱাৰ আশংকা মৰ্চা চৰকাৰৰ ক্ষেত্ৰত কম।

**৩। আঞ্চলিক প্ৰতিনিধিত্ব ঃ** একদলীয় চৰকাৰতকৈ মৰ্চা চৰকাৰত বিভিন্ন অঞ্চল আৰু জাতি-গোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰাৰ অধিক সুযোগ লাভ কৰে। মৰ্চাত অংশগ্ৰহণকাৰী বিভিন্ন আঞ্চলিক পৰ্যায়ৰ দলবিলাকে তেওঁলোকৰ স্থানীয় সমস্যাসমূহ সমাধান কৰাৰ অধিক সুবিধা পায়।

**৪। জাতীয় ঐক্য সংহতি ৰক্ষা ঃ** মৰ্চা চৰকাৰে বিভিন্ন ৰাজনৈতিক দলক এখন মজিয়ালৈ অনাৰ ফলত দলবিলাকে নিজা নীতি-আদৰ্শত কঠোৰভাৱে লাগি নাথাকি বুজাবুজিৰে কাম কৰে। ফলত জাতীয় ঐক্য-সংহতি বৃদ্ধি হয়।

**৫। ৰাজহুৱা ধনৰ অপব্যৱহাৰ হ্ৰাস ঃ** এটা নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পিছত চৰকাৰ গঠনত জটিলতা আহিলে দেশে আকৌ এটা নিৰ্বাচনৰ সন্মুখীন হ'ব লগা হয়। এনে পৰিস্থিতিত কম দিনৰ ব্যৱধানত আন এটা নিৰ্বাচনৰ সন্মুখীন হোৱাৰ পৰা মৰ্চা চৰকাৰ গঠনে দেশক ৰক্ষা কৰে। এইদৰে মৰ্চা চৰকাৰ গঠনৰ প্ৰক্ৰিয়াই ৰাজহুৱা ধনৰ অপব্যয় ৰোধ কৰে।

## মূ ল ক থা

- ☞ এখন সুস্থ-সবল গণতান্ত্ৰিক দেশ গঢ় দিয়াত ৰাজনৈতিক দলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।
- ☞ ভাৰতৰ প্ৰথমটো ৰাষ্ট্ৰীয় ৰাজনৈতিক দল ভাৰতীয় জাতীয় কংগ্ৰেছ
- ☞ ভাৰতৰ প্ৰথমটো আঞ্চলিক দল দ্ৰাবিড় মুন্নেট্ৰা কাজাগম (DMK)
- ☞ আঞ্চলিক দলসমূহে আঞ্চলিক সমস্যাসমূহক সদনৰ মজিয়াত সজোৰে উপস্থাপন কৰি সেইবোৰৰ সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগে।
- ☞ গণতন্ত্ৰত বিৰোধী দলৰ গুৰুত্ব অসীম
- ☞ বিৰোধী দলৰ সবল ভূমিকা থকা দুখন উল্লেখযোগ্য ৰাষ্ট্ৰ হ'ল— আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ড।
- ☞ ভাৰতত প্ৰথমখন মৰ্চা চৰকাৰ গঠন হয় ১৯৭৭ চনত মোৰাৰজী দেশাইৰ নেতৃত্বত।

## অ নু শী ল নী

**অতি চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। একদলীয় শাসন ব্যৱস্থা থকা এখন দেশৰ নাম লিখা।

২। আমেৰিকা যুক্তৰাষ্ট্ৰত থকা দলীয় ব্যৱস্থাটো কি?

৩। ৰাজনৈতিক দলৰ দুটা বৈশিষ্ট্য লিখা।

৪। ৰাজনৈতিক দলৰ এটা প্ৰধান কাৰ্য উল্লেখ কৰা।

৫। অসমৰ এটা আঞ্চলিক দলৰ নাম লিখা।

৬। ঝাৰখণ্ডৰ মুখ্য আঞ্চলিক দলটো কি?

৭। ইউ পি এ (UPA)ৰ সম্পূৰ্ণ অৰ্থ লিখা?

৮। ভাৰতবৰ্ষৰ প্ৰথম ৰাজনৈতিক দল কোনটো?

৯। কাৰ নেতৃত্বত 'দি ইণ্ডিয়ান এছ'চিয়েচন' গঠন হৈছিল?

১০। ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰথম সভাপতি কোন আছিল?

**চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। ভাৰতবৰ্ষৰ দলীয় ব্যৱস্থাটোৰ প্ৰধান বৈশিষ্ট্য কি?

২। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ বাবে কি দলীয় ব্যৱস্থা বিশেষভাৱে উপযোগী?

৩। ৰাজনৈতিক দলৰ প্ৰধান বৈশিষ্ট্য চাৰিটা উল্লেখ কৰা।

৪। পাঁচটা আঞ্চলিক ৰাজনৈতিক দলৰ নাম লিখা।

৫। মৰ্চা চৰকাৰ বুলিলে কি বুজা?

**দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। সংযুক্ত চৰকাৰ বুলিলে কি বুজা? সংযুক্ত চৰকাৰ কি পৰিস্থিতিত গঠিত হয়?

২। সংযুক্ত অথবা মৰ্চা চৰকাৰৰ দুটা গুণ আৰু দুটা দোষ আলোচনা কৰা।

৩। গণতন্ত্ৰত বিৰোধী ৰাজনৈতিক দলৰ ভূমিকা আলোচনা কৰা।

৪। আঞ্চলিক ৰাজনৈতিক দলৰ জন্মৰ মূল কাৰণ কেইটা আলোচনা কৰা।

৫। গণতান্ত্ৰিক ৰাষ্ট্ৰত ৰাজনৈতিক দলৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখা।

৬। ৰাজনৈতিক দলৰ বৈশিষ্ট্য আৰু কাৰ্যাৱলী উল্লেখ কৰা।

৭। সংযুক্ত চৰকাৰৰ ব্যৱস্থাটোৱে বৰ্তমান সময়ত বিশেষ গুৰুত্ব লাভ কৰাৰ কাৰণ কেইটা আলোচনা কৰা।


দ্বিতীয় অধ্যায়

# চৰকাৰৰ প্ৰকাৰ বা শ্ৰেণীবিভাগ

## মূল আলোচ্য বিষয়


- পৃথিৱীত কি কি ধৰণৰ চৰকাৰ আছে?
- সংসদীয় পদ্ধতিৰ চৰকাৰ— ইয়াৰ দোষ-গুণ
- ৰাষ্ট্ৰপতীয় চৰকাৰ— ইয়াৰ দোষ-গুণ
- এককেন্দ্ৰীয় চৰকাৰ— ইয়াৰ দোষ-গুণ
- যুক্তৰাষ্ট্ৰীয় চৰকাৰ— ইয়াৰ দোষ-গুণ

### ২.১ চৰকাৰৰ শ্ৰেণীবিভাগ ঃ



প্লেটো


বিশ্বৰ ৰাষ্ট্ৰ তথা চৰকাৰবোৰক বিভিন্ন শ্ৰেণীত ভগোৱা হয়। চৰকাৰৰ চৰিত্ৰৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰৰ শ্ৰেণী বিভাজন হয়। সেয়েহে কোৱা হয়— চৰকাৰৰ শ্ৰেণী বিভাজন মানেই ৰাষ্ট্ৰৰ শ্ৰেণী বিভাজন। প্ৰাচীন **গ্ৰীক দাৰ্শনিক প্লেটোৱে চৰকাৰৰ শ্ৰেণী বিভাজনৰ সূচনা কৰিছিল। প্লেটোৰ পিছত এৰিষ্টটলে চৰকাৰক কেইবাটাও শ্ৰেণীত বিভাজন কৰিছিল**। প্লেটো আৰু এৰিষ্টটলে চৰকাৰক শাসকৰ সংখ্যা আৰু লক্ষ্যৰ ভিত্তিত কেইটামান শ্ৰেণীত ভাগ কৰিছিল। জনকল্যাণৰ হকে হোৱা এজনৰ শাসনক ৰাজতন্ত্ৰ (Monarchy), কেইজনমানৰ শাসনক অভিজাততন্ত্ৰ (Aristocracy) আৰু বহুজনৰ বা ৰাইজৰ শাসনক ৰাজ্য ব্যৱস্থা (Polity) বুলি নামকৰণ কৰিছিল। আনহাতে, জনস্বাৰ্থৰ



*এৰিষ্টটল*



***এডলফ হিটলাৰ***
এসময়ৰ জাৰ্মানীৰ একনায়কত্ববাদী শাসক
**জন্ম ঃ** ২০ এপ্ৰিল, ১৮৮৯, ব্ৰুনে, অষ্ট্ৰিয়া
**মৃত্যু ঃ** ৩০ এপ্ৰিল, ১৯৪৫, বাৰ্লিন, জাৰ্মানী



***জিগমে খেছৰ নামগিয়েল ৱাংচুক (ভূটানৰ ৰজা)***
**জন্ম ঃ** ২১ ফেব্ৰুৱাৰী, ১৯৮০, ভূটান

বিপৰীতে শাসকৰ স্বাৰ্থৰ বাবেহে চলা এজনৰ শাসনক স্বৈৰতন্ত্ৰ (Tyranny), কেইজনমানৰ শাসনক আঢ্যৰন্ততন্ত্ৰ (Oligarchy) আৰু বহুজনৰ শাসনক গণতন্ত্ৰ (Democracy) বুলি কৈছিল। সেইকালৰ চিন্তাবিদসকলে গণতন্ত্ৰক ভাল চৰকাৰ বুলি বিবেচনা নকৰিছিল।

যুগ পৰিৱৰ্তনৰ লগে লগে ৰাজতন্ত্ৰ আৰু অভিজাততন্ত্ৰই ক্ৰমাৎ প্ৰাসংগিকতা হেৰুৱাইছে। বৰ্তমান বিশ্বৰ বেছিভাগ ৰাষ্ট্ৰৰে শাসন ব্যৱস্থা গণতান্ত্ৰিক। ইংলেণ্ড, নেপাল, ভূটান আদি ৰাষ্ট্ৰত ৰজা বা ৰাণী আছে যদিও ৰজাৰ শাসন নচলে। ৰাজ মুকুট পৰম্পৰা ৰক্ষাৰ এটা প্ৰতীকহে। ৰজাৰ হাতত একো ক্ষমতা নাথাকে বাবে এই ব্যৱস্থাক সীমিত ৰাজতন্ত্ৰ বোলা হয়। এইবোৰ ৰাষ্ট্ৰতো গণতান্ত্ৰিক শাসনহে চলে।

আধুনিক যুগত মেৰিয়ত, ব্ৰাইচ, লীককে ধৰি বহুকেইজন পণ্ডিতে চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছে। সেইবোৰৰ ভিতৰত ষ্টিফেন লীকৰ শ্ৰেণী বিভাগ আটাইতকৈ গ্ৰহণযোগ্য বুলি বিবেচিত। লীককে আধুনিক যুগৰ চৰকাৰসমূহক মূলতঃ দুভাগত ভগাইছে— একনায়কতন্ত্ৰ বা স্বৈৰতন্ত্ৰ (Dictatorship) আৰু গণতন্ত্ৰ (Democracy)। এতিয়াও বিশ্বৰ সকলো ৰাষ্ট্ৰৰে শাসন ব্যৱস্থা গণতান্ত্ৰিক নহয়। কিছুমান দেশত এতিয়াও একোজন ব্যক্তিৰ বা এটা ৰাজনৈতিক দলৰ একচ্ছত্ৰী শাসন চলি আছে। এনেকুৱা শাসন ব্যৱস্থাক একনায়কতন্ত্ৰ বোলা হয়। আনহাতে, গণতন্ত্ৰ হ'ল জনসাধাৰণৰ কল্যাণৰ বাবে জনসাধাৰণে চলোৱা শাসন। গণতন্ত্ৰত সকলো ক্ষমতাৰ উৎস আৰু অধিকাৰী জনসাধাৰণ। আগৰ কালৰ গ্ৰীচ-এথেন্সত প্ৰত্যক্ষ গণতন্ত্ৰ (Direct Democracy) চলিছিল। জনসাধাৰণে প্ৰত্যক্ষভাৱে শাসনত অংশগ্ৰহণ কৰিব পাৰিছিল। আজিৰ দিনত প্ৰত্যক্ষ গণতন্ত্ৰ বিভিন্ন কাৰণত সম্ভৱ নোহোৱা হৈছে। আধুনিক যুগত গণতন্ত্ৰত প্ৰতিনিধিৰ যোগেদিহে সৰ্বসাধাৰণে শাসনত অংশগ্ৰহণ কৰিব পাৰে বাবে এনে গণতন্ত্ৰক পৰোক্ষ গণতন্ত্ৰ (Indirect Democracy) বোলে। লীককে আধুনিক গণতন্ত্ৰক সীমিত ৰাজতন্ত্ৰ (Limited Monarchy) আৰু গণৰাজ্য বা প্ৰজাতন্ত্ৰ (Republic)— এই দুটা ভাগত ভাগ কৰিছে। তেখেতে পুনৰ দুয়োটা প্ৰকাৰকে আকৌ এককেন্দ্ৰীয় (Unitary) আৰু যুক্তৰাষ্ট্ৰীয় (Federal), এই দুভাগত ভগাইছে। শেষত এককেন্দ্ৰীয় আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰকো সংসদীয় (Parliamentary) আৰু ৰাষ্ট্ৰপতীয় (Presidential), এই দুভাগত বিভক্ত কৰিছে।

বৰ্তমান যুগত পৃথিৱীত জনপ্ৰিয় হৈ পৰা গণতান্ত্ৰিক পদ্ধতিৰ শাসন ব্যৱস্থাৰ চৰকাৰসমূহক এককেন্দ্ৰীয়, যুক্তৰাষ্ট্ৰীয়, সংসদীয় আৰু ৰাষ্ট্ৰপতীয় এই চাৰি শ্ৰেণীত ভগোৱা হয়। গতিকে আমাৰ আলোচনাও এই চাৰি প্ৰকাৰ চৰকাৰৰ মাজতে সীমাবদ্ধ হ'ব।

### ২.১.১ সংসদীয় পদ্ধতিৰ চৰকাৰ ঃ

বৰ্তমান সময়ত বহু সমাদৃত চৰকাৰ হৈছে সংসদীয় পদ্ধতিৰ চৰকাৰ। প্ৰকৃততে কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰি এই চৰকাৰক সংসদীয়



*ভাৰতৰ সংসদ ভৱন*

পদ্ধতিৰ চৰকাৰ বোলা হৈছে। এই শ্ৰেণী চৰকাৰৰ জন্মস্থান হৈছে ইংলেণ্ড। সেইবাবে এই চৰকাৰক **ৱেষ্ট মিনিষ্টাৰ মডেল** চৰকাৰ বুলিও কোৱা হয়।

সংসদীয় পদ্ধতিৰ চৰকাৰৰ প্ৰধান **বৈশিষ্ট্যসমূহ** হ'ল এনেধৰণৰ—

১। **দুজন মুৰব্বী ঃ** এই চৰকাৰৰ দুজন মুৰব্বীৰ ব্যৱস্থা আছে। এজন প্ৰকৃত কাৰ্যপালিকা আৰু আনজন নামমাত্ৰ কাৰ্যপালিকা। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰী পৰিষদখন হ'ল প্ৰকৃত কাৰ্যপালিকা আৰু ৰাষ্ট্ৰপ্ৰধানজন (ৰজা/ ৰাণী/ ৰাষ্ট্ৰপতি) নামমাত্ৰ কাৰ্যপালিকাহে।

২। **কাৰ্যপালিকাৰ সদস্যসকল বিধানমণ্ডলৰো সদস্য ঃ** এই চৰকাৰত কাৰ্যপালিকা অৰ্থাৎ মন্ত্ৰীপৰিষদৰ সদস্যসকল বিধানমণ্ডলৰো সদস্য।

৩। **বিধানমণ্ডল আৰু কাৰ্যপালিকাৰ ওচৰ সম্বন্ধ ঃ** সংসদীয় পদ্ধতিৰ চৰকাৰৰ বিধানমণ্ডল আৰু কাৰ্যপালিকাৰ সম্পৰ্ক নিবিড়।

৪। **মন্ত্ৰীপৰিষদ বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ ঃ** সংসদীয় পদ্ধতিৰ চৰকাৰত কাৰ্যপালিকা সকলো কাম কৰাৰ বাবে বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ থাকে। বিধানমণ্ডলে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিলে মন্ত্ৰীপৰিষদে পদত্যাগ কৰিবলৈ বাধ্য হয়।

৫। **মন্ত্ৰীপৰিষদৰ সামূহিক দায়বদ্ধতা ঃ** এই চৰকাৰত মন্ত্ৰীপৰিষদখন সামূহিকভাৱে বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হয়। মন্ত্ৰীপৰিষদৰ এজন সদস্যৰ ব্যৰ্থতাৰ বাবে সকলো সদস্য দায়বদ্ধ হয়।

### সংসদীয় পদ্ধতিৰ চৰকাৰৰ গুণ ঃ

১। সংসদীয় পদ্ধতিৰ চৰকাৰত কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজত সু-সম্পৰ্ক আৰু সহযোগিতা থাকে। ফলত যিকোনো সমস্যা আইনৰ সহায়ত সহজে সমাধান কৰিব পাৰি।

২। এই চৰকাৰ বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হোৱা বাবে দেশ আৰু জনগণৰ স্বাৰ্থৰ বিপৰীতে যোৱা কোনো কাম চৰকাৰখনে কৰিব নোৱাৰে।

৩। সংসদীয় পদ্ধতিৰ চৰকাৰত কাৰ্যপালিকাই (মন্ত্ৰীপৰিষদ) স্বেচ্ছাচাৰীভাৱে কাম কৰিব নোৱাৰে। ক্ষমতাত থকা ৰাজনৈতিক দলে যদি স্বেচ্ছাচাৰীভাৱে কাম কৰে তেতিয়া বিধানমণ্ডলে অনাস্থা প্ৰস্তাৱযোগে তেনে চৰকাৰক ক্ষমতাৰ পৰা আঁতৰ কৰিব পাৰে।

৪। সংসদীয় পদ্ধতিৰ চৰকাৰে জনমতক সদায় গুৰুত্ব দি কাৰ্য সম্পাদন কৰে। অন্যথা বিৰোধী পক্ষৰ কঠোৰ সমালোচনাৰ সন্মুখীন হয়।

৫। এই চৰকাৰ নমনীয় চৰিত্ৰৰ। এই চৰকাৰত কাৰ্যপালিকা পৰিৱৰ্তনৰ প্ৰক্ৰিয়া সহজ।

**সংসদীয় চৰকাৰৰ দোষ ঃ**

১। সংসদীয় পদ্ধতিৰ চৰকাৰত যদি কোনো এটা ৰাজনৈতিক দলেও বিধানমণ্ডলত সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিব নোৱাৰে, তেতিয়া মৰ্চা চৰকাৰ গঠিত হয়। মৰ্চা চৰকাৰ অস্থায়ী আৰু যিকোনো সময়তে ৰাজনৈতিক সংকট সৃষ্টি হ'ব পাৰে।

২। এই চৰকাৰত মন্ত্ৰীসকল বিভাগীয় কাম-কাজত প্ৰায়েই অনভিজ্ঞ হোৱাৰ বাবে বহু সময়ত আমোলাসকলৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। ফলত চৰকাৰৰ কাম-কাজত আমোলাসকলৰ প্ৰভাৱ বেছি হয় আৰু চৰকাৰখনে আমোলাতান্ত্ৰিক চৰকাৰৰ ৰূপ লয়।

৩। ক্ষমতাৰ পৃথকীকৰণ নীতি নথকাৰ বাবে সংসদীয় পদ্ধতিৰ চৰকাৰত মন্ত্ৰী পৰিষদৰ হাতত বিধায়িনী আৰু কাৰ্যকৰী ক্ষমতা ন্যস্ত থাকে। যাৰ ফলত মন্ত্ৰী পৰিষদে একনায়কত্ববাদী শাসন চলোৱাৰ সম্ভাৱনা থাকে।

৪। এনে শাসন ব্যৱস্থাত দলীয় প্ৰথাই বিশেষ গুৰুত্ব লাভ কৰে। দলবিলাকৰ মাজত থকা অন্তঃকন্দলে ৰাজনীতি বিযাক্ত কৰে আৰু চৰকাৰৰ কাম-কাজৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়।

৫। সংসদীয় পদ্ধতিৰ চৰকাৰৰ বিৰুদ্ধে উত্থাপিত হোৱা অনা এটা অভিযোগ হ'ল— এনে চৰকাৰত বিধানমণ্ডলৰ সদস্যসকল এবাৰ নিৰ্বাচিত হৈ অহাৰ পিছত তেওঁলোকে জনস্বাৰ্থ অৱজ্ঞা কৰিলেও পুনৰ নিৰ্বাচন নহালৈকে ভোটাৰসকলে কোনো কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব নোৱাৰে। ফলত ভোটাৰসকলে তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলৰ কুকৰ্ম বহুদিন ধৰি সহ্য কৰিবলৈ বাধ্য হয়।

## ২.১.২ ৰাষ্ট্ৰপতীয় চৰকাৰ ঃ

যি চৰকাৰত ক্ষমতাৰ পৃথকীকৰণ নীতিৰ দ্বাৰা কাৰ্যপালিকা আৰু বিধানমণ্ডল দুয়ো নিজৰ নিজৰ ক্ষেত্ৰত স্বাধীন আৰু য'ত কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ নহয়,



*হোৱাইট হাউছ ঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ভৱন।*

তেনে চৰকাৰকে ৰাষ্ট্ৰপতীয় চৰকাৰ বোলে। বৰ্তমান সময়ত ৰাষ্ট্ৰপতীয় চৰকাৰৰ অন্যতম উদাহৰণ হৈছে— আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰ।

ৰাষ্ট্ৰপতীয় চৰকাৰৰ গুৰুত্বপূৰ্ণ **বৈশিষ্ট্যসমূহ** এনেধৰণৰ—

১। **ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানৰ মাজত পাৰ্থক্য নাই ঃ** সংসদীয় পদ্ধতিৰ চৰকাৰৰ দৰে ৰাষ্ট্ৰপতীয় চৰকাৰত ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধান বুলি দুজন ব্যক্তি নাথাকে। ইয়াত ৰাষ্ট্ৰপতিজন ৰাষ্ট্ৰপ্ৰধানৰ লগতে চৰকাৰ প্ৰধানো।

২। **ক্ষমতাৰ পৃথকীকৰণ নীতি ঃ** ৰাষ্ট্ৰপতীয় চৰকাৰত কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ নহয়। দুয়োৰে স্থিতি সম্পূৰ্ণ স্বাধীন। বিধানমণ্ডলৰ সদস্য কাৰ্যপালিকাৰ সদস্য হ'ব নোৱাৰে। সংসদীয় পদ্ধতিৰ চৰকাৰৰ দৰে ৰাষ্ট্ৰপতীয় চৰকাৰত কাৰ্যপালিকাৰ সদস্যই বিধানমণ্ডলৰ কাৰ্যক্ৰমণিকাত অংশ ল'ব নোৱাৰে।

৩। **ৰাষ্ট্ৰপ্ৰধানৰ নিৰ্দিষ্ট কাৰ্যকাল ঃ** ৰাষ্ট্ৰপতীয় চৰকাৰত ৰাষ্ট্ৰপতিজন এক নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিৰ্বাচিত হয়। সংবিধান অৱমাননাৰ দোষত তেওঁৰ বিৰুদ্ধে মহাভিযোগ প্ৰস্তাৱ গৃহীত হোৱাৰ বাহিৰে আন কোনো কাৰণত ৰাষ্ট্ৰপতিজনক তেওঁৰ কাৰ্য্যকালত পদবীৰ পৰা আঁতৰ কৰিব পৰা নাযায়। এজন ৰাষ্ট্ৰপতিক মহাভিযোগ প্ৰস্তাৱৰ জৰিয়তে ক্ষমতাৰ পৰা আঁতৰ কৰা প্ৰক্ৰিয়া অতি জটিল।

৪। **বিধানমণ্ডলৰ নিৰ্দিষ্ট কাৰ্যকাল ঃ** ৰাষ্ট্ৰপতীয় চৰকাৰত বিধানমণ্ডলৰ নিৰ্দিষ্ট কাৰ্যকাল শেষ হোৱাৰ আগতে কোনো কাৰণত ভংগ নহয়। ৰাষ্ট্ৰপতিয়ে বিধানমণ্ডল ভংগ কৰাৰ ক্ষমতা এই চৰকাৰত নাই।

৫। **কেবিনেট মাথোঁ পৰামৰ্শদানকাৰী গোট ঃ** এই চৰকাৰত ৰাষ্ট্ৰপতিক সহায় কৰিবলৈ থকা কেবিনেটখন এটা পৰামৰ্শদানকাৰী গোটহে। ৰাষ্ট্ৰপতিয়ে কেবিনেটৰ সদস্য (ছেক্রেটাৰী/সচিব) সকলৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ বাধ্য নহয়। কেবিনেটৰ সদস্যসকলৰ কাৰ্যকাল ৰাষ্ট্ৰপতিৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰশীল।

৬। **অনমনীয় সংবিধান ঃ** এই চৰকাৰৰ সংবিধানখন অনমনীয় হয়। সংবিধানখন সহজে সংশোধন কৰিব নোৱাৰি।

## ৰাষ্ট্ৰপতীয় চৰকাৰৰ গুণ ঃ

১। ৰাষ্ট্ৰপতীয় চৰকাৰত ৰাষ্ট্ৰপতিজন এটা নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিৰ্বাচিত হোৱা বাবে আৰু সহজে তেওঁক পদবীৰ পৰা আঁতৰ কৰিব নোৱাৰাৰ বাবে চৰকাৰখন স্থায়ী হয়। ইয়াত বিধানমণ্ডলৰো নিৰ্দিষ্ট কাৰ্যকাল থাকে।

২। ক্ষমতাৰ পৃথকীকৰণ ব্যৱস্থাৰ বাবে চৰকাৰৰ তিনিওটা অংগই স্বাধীনভাৱে কাম কৰাৰ সুযোগ পায়। উল্লেখযোগ্য যে এই চৰকাৰত 'অৱৰোধন আৰু সন্তুলন' (Checks and balance) নীতি থকা বাবে চৰকাৰৰ কোনো অংগই স্বেচ্ছাচাৰী হ'ব নোৱাৰে।

৩। এনে চৰকাৰ জৰুৰীকালীন অৱস্থাৰ বাবে অতি উপযোগী। যিহেতু চৰকাৰৰ প্ৰকৃত ক্ষমতা ৰাষ্ট্ৰপতিজনৰ ওচৰত কেন্দ্ৰীভূত হৈ থাকে, গতিকে জৰুৰীকালীন অৱস্থাত অতি সহজে যিকোনো সিদ্ধান্ত ক্ষিপ্ৰভাৱে লোৱাতো সহজ হয়।

৪। কাৰ্যপালিকা শক্তিশালী হোৱা বাবে এনে চৰকাৰে দেশৰ ঐক্য আৰু সংহতি সহজে ৰক্ষা কৰিব পাৰে।

৫। যুক্তৰাষ্ট্ৰীয় চৰকাৰ ৰাজনৈতিক দলৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা বাবে ৰাষ্ট্ৰপতিজনে কাৰ্য্য সম্পাদন কৰাৰ ক্ষেত্ৰত সংসদৰ সংখ্যা গৰিষ্ঠতাৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে।

## ৰাষ্ট্ৰপতীয় চৰকাৰৰ দোষ ঃ

১। ৰাষ্ট্ৰপতীয় চৰকাৰত ৰাষ্ট্ৰপতিজনক বিধানমণ্ডলে নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ বাবে চৰকাৰ স্বেচ্ছাচাৰী হোৱাৰ আশংকা থাকে।

২। ক্ষমতাৰ পৃথকীকৰণ নীতিৰ বাবে ৰাষ্ট্ৰপতীয় চৰকাৰত কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজত সহযোগিতা নাথাকে। সামগ্ৰিকভাৱে ই দেশৰ প্ৰশাসনত বিৰূপ প্ৰভাৱ পেলায়।

৩। ৰাষ্ট্ৰপতীয় চৰকাৰৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ অনমনীয় সংবিধান। সংবিধানখন অনমনীয় হ'লে পৰিৱৰ্তিত পৰিৱেশ আৰু পৰিস্থিতিত সংবিধানখন সংশোধন কৰাত জটিলতা আছে।

৪। ৰাষ্ট্ৰপতীয় চৰকাৰত কাৰ্যপালিকা আৰু বিধানমণ্ডল ভিন্ন ৰাজনৈতিক দলৰ হ'লে ৰাজনৈতিক সংকট সৃষ্টিৰ সম্ভাৱনা অধিক।

৫। এই চৰকাৰত মন্ত্ৰীত্ব (ছেক্ৰেটাৰী/সচিব) লাভৰ ক্ষেত্ৰত ব্যক্তিগত আনুগত্যই যোগ্যতা আৰু অভিজ্ঞতাতকৈ অধিক গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা থাকে।

## ২..১.৩ এককেন্দ্ৰীয় চৰকাৰ ঃ

ক্ষমতাৰ কেন্দ্ৰীকৰণ আৰু বিতৰণৰ ওপৰত ভিত্তি কৰি চৰকাৰক এককেন্দ্ৰীয় আৰু যুক্তৰাষ্ট্ৰীয় এই দুই শ্ৰেণীত ভাগ কৰা হয়। যি পদ্ধতিৰ চৰকাৰত সকলো ক্ষমতা একমাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ হাতত কেন্দ্ৰীভূত হৈ থাকে অৰ্থাৎ মাত্ৰ এটা কেন্দ্ৰৰ পৰাই শাসন চলে, তেনে চৰকাৰক এককেন্দ্ৰীয় চৰকাৰ আখ্যা দিয়া হয়। এই চৰকাৰত শাসনৰ সুবিধাৰ বাবে স্থানীয় প্ৰশাসনিক গোট থাকে যদিও সেইবিলাক সাংবিধানিক নহয়। সেই গোটবিলাক সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ নেতৃত্বাধীন। **ব্ৰিটেইন, ফ্ৰান্স, জাপান, ইটালী, নেদাৰলেণ্ড** আদি দেশত এই চৰকাৰ আছে।

### এককেন্দ্ৰীয় চৰকাৰৰ বৈশিষ্ট্য ঃ

১। **শক্তিশালী কেন্দ্ৰীয় চৰকাৰ** ঃ এনে চৰকাৰত সংবিধানে সকলো ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ন্যস্ত কৰে। ফলত ইয়াত কেন্দ্ৰীয় চৰকাৰৰ স্থিতি অতি শক্তিশালী।

২। **লিখিত অথবা অলিখিত সংবিধান** ঃ এককেন্দ্ৰীয় চৰকাৰত সংবিধানখন লিখিত বা অলিখিত হ'ব পাৰে। উদাহৰণস্বৰূপে ইংলেণ্ডৰ সংবিধানখন অলিখিত আৰু নেদাৰলেণ্ডৰ সংবিধানখন লিখিত।

৩। **একক নাগৰিকত্ব** ঃ একক নাগৰিকত্ব এককেন্দ্ৰীয় চৰকাৰৰ প্ৰধান বৈশিষ্ট্য। যুক্তৰাষ্ট্ৰত থকাৰ দৰে দ্বি-নাগৰিকত্বৰ ব্যৱস্থা ইয়াত নাই।

৪। **দুৰ্বল ন্যায়পালিকা** ঃ এককেন্দ্ৰীয় চৰকাৰত আইন সভাৰ প্ৰাধান্য পৰিলক্ষিত হয়। আইন সভাই প্ৰস্তুত কৰা আইন সমগ্ৰ দেশৰ বাবে প্ৰযোজ্য হয় আৰু তেনে আইনৰ ওপৰত ন্যায়িক পুনৰীক্ষাৰ ব্যৱস্থা নাথাকে। আইন সভাই প্ৰণয়ন কৰা আইনক ন্যায়পালিকাই অসাংবিধানিক বুলি ঘোষণা কৰিব নোৱাৰে।

৫। **নমনীয় সংবিধান** ঃ এককেন্দ্ৰীয় চৰকাৰৰ সংবিধান সাধাৰণতে নমনীয় হয়। কেন্দ্ৰীয় চৰকাৰে নিজৰ প্ৰয়োজনত সংবিধানখন সংশোধন কৰিব পাৰে।

### এককেন্দ্ৰীয় চৰকাৰৰ গুণ ঃ

১। এককেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশৰ বাবে একেধৰণৰ প্ৰশাসন ব্যৱস্থা প্ৰয়োগ আৰু কাৰ্যকৰী কৰাৰ বাবে প্ৰশাসন শক্তিশালী হয়। ইয়াত জটিলতা নাথাকে।

২। যিহেতু কেন্দ্ৰীয় চৰকাৰেই সমগ্ৰ দেশৰ শাসন চলায় সেইবাবে যিকোনো ভুলৰ বাবে কেন্দ্ৰীয় চৰকাৰ দায়ী হয়। কেন্দ্ৰীয় চৰকাৰে স্থানীয় চৰকাৰক নিজৰ ভুলৰ বাবে জগৰীয়া কৰিব নোৱাৰে।

৩। এককেন্দ্ৰীয় চৰকাৰত চৰকাৰ পৰিচালনাৰ ব্যয় কম। ফলত উন্নয়নমূলক কামত অধিক ধন ব্যয় কৰাৰ সুযোগ থাকে।

৪। জৰুৰীকালীন অৱস্থাত এককেন্দ্ৰীক চৰকাৰ বিশেষ উপযোগী। অতি ক্ষিপ্ৰভাৱে এনে চৰকাৰ যিকোনো অৱস্থাৰ সন্মুখীন হ'ব পাৰে।

৫। এনে চৰকাৰৰ সংবিধানখন নমনীয় চৰিত্ৰৰ হোৱা বাবে পৰিৱেশ আৰু পৰিস্থিতি সাপেক্ষে সহজে সংশোধন কৰিব পৰা যায়।

৬। কেন্দ্ৰীয় চৰকাৰৰ প্ৰাধান্য থকাত আঞ্চলিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সংঘাত অথবা বিৰোধৰ সম্ভাৱনা কম। ফলত চৰকাৰখন শক্তিশালী হয়।

**এককেন্দ্ৰীয় চৰকাৰৰ দোষ ঃ**

১। এক বৃহৎ আকাৰৰ ৰাষ্ট্ৰৰ বাবে এই চৰকাৰ উপযুক্ত নহয়।

২। এককেন্দ্ৰীয় চৰকাৰত জনসাধাৰণে সক্ৰিয়ভাৱে দেশৰ শাসন কাৰ্য্যত অংশগ্ৰহণৰ সুযোগ নাপায়। ফলত জনসাধাৰণৰ ৰাজনৈতিক সক্ৰিয়তা কম হয়।

৩। এখন মাত্ৰ চৰকাৰ থকা বাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত অধিক কামৰ বোজা পৰে। ফলত আঞ্চলিক সমস্যাসমূহে গুৰুত্ব নাপায়। যদিও স্থানীয় প্ৰশাসনিক গোট থাকে তথাপি এই গোটবিলাকে স্বতন্ত্ৰতাৰ অভাৱত সমস্যা সমাধানত ব্যৰ্থ হয়।

৪। এককেন্দ্ৰীয় চৰকাৰ অধিক আমোলাতান্ত্ৰিক। এনে চৰকাৰত আমোলাসকলেই প্ৰকৃততে শাসন চলায়।

৫। এককেন্দ্ৰীয় চৰকাৰ স্বেচ্ছাচাৰী হোৱাৰ আশংকা প্ৰৱল। যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ দৰে এনে চৰকাৰত কেন্দ্ৰ আৰু অংগ চৰকাৰৰ মাজত ক্ষমতাৰ বিতৰণ ব্যৱস্থা নথকাত এনে চৰকাৰে নিজ ইচ্ছাৰে শাসন চলায়।

## ২.১.৪ যুক্তৰাষ্ট্ৰীয় চৰকাৰ ঃ

এককেন্দ্ৰীয় পদ্ধতিৰ চৰকাৰৰ সম্পূৰ্ণ বিপৰীতধৰ্মী চৰকাৰখনেই হ'ল যুক্তৰাষ্ট্ৰীয় চৰকাৰ। এই চৰকাৰত এখন কেন্দ্ৰীয় চৰকাৰ থকাৰ লগতে ভালেকেইখন ৰাজ্য চৰকাৰ থাকে। যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ উৎকৃষ্ট উদাহৰণ হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰ। প্ৰকৃততে আমেৰিকাতেই প্ৰথম যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ সৃষ্টি হৈছিল। সেইবাবে আমেৰিকাক 'যুক্তৰাষ্ট্ৰৰ গৃহভূমি' (Homeland of Federation) বোলা হয়।

### যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্য ঃ

১। **ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঃ** কেন্দ্ৰীয় চৰকাৰ আৰু অংগৰাজ্যবিলাকৰ চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ-বিতৰণ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ প্ৰধান বৈশিষ্ট্য।

২। **ক্ষমতাৰ পৃথকীকৰণ ঃ** যুক্তৰাষ্ট্ৰীয় চৰকাৰত চৰকাৰৰ তিনিটা অংগ— কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা নিজৰ নিজৰ কৰ্মক্ষেত্ৰত স্বাধীন। এটা আনটোৰ পৰিপূৰক নহয়।

৩। **লিখিত আৰু দৃঢ় সংবিধান ঃ** যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ সংবিধানখন হ'ল লিখিত সংবিধান। এই সংবিধানখন অনমনীয় অথবা দৃঢ়। এই সংবিধানখন সংশোধন কৰা পদ্ধতিও অতি জটিল।

৪। **দুই প্ৰকাৰৰ চৰকাৰ ঃ** যুক্তৰাষ্ট্ৰীয় চৰকাৰত দুই ধৰণৰ চৰকাৰ থাকে। এবিধ কেন্দ্ৰীয় চৰকাৰ আৰু আনবিধ ৰাজ্য চৰকাৰ। **দুয়োবিধ চৰকাৰৰে নিজা নিজা সংবিধান থাকে।**

৫। **দ্বৈত-নাগৰিকত্ব ঃ** যুক্তৰাষ্ট্ৰীয় চৰকাৰ থকা ৰাষ্ট্ৰত জনসাধাৰণে দুবিধ নাগৰিকত্ব উপভোগ কৰিব পাৰে। সমগ্ৰ ৰাষ্ট্ৰখনৰ নাগৰিক হোৱাৰ লগতে ইয়াৰ নাগৰিকসকলে বাস কৰা ৰাজ্যখনৰ নাগৰিক হিচাপেও সুকীয়া মৰ্যাদা লাভ কৰে।

৬। **স্বাধীন ন্যায়পালিকা ঃ** যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত এখন স্বাধীন আৰু নিৰপেক্ষ আদালতৰ ব্যৱস্থা থাকে, যিয়ে সংবিধানৰ চৰম কাৰ্যকৰ্তা আৰু অভিভাৱক হিচাপে দায়িত্ব পালন কৰে।

### যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গুণসমূহ ঃ

১। যুক্তৰাষ্ট্ৰীয় চৰকাৰত প্ৰতিখন ৰাজ্যই স্বায়ত্ত শাসনৰ সুবিধা লাভ কৰাৰ লগতে এখন বৃহৎ আৰু শক্তিশালী ৰাষ্ট্ৰৰ অংগৰাজ্যও হয়। ফলত আঞ্চলিক স্বায়ত্ব শাসন আৰু জাতীয় একতা দুয়োটাৰে সুবিধাসমূহ লাভ কৰা দেখা যায়।

২। ভিন্ন ধৰ্ম, জাতি আৰু ভাষিক গোষ্ঠী বসবাস কৰা এখন বিশাল ৰাষ্ট্ৰৰ বাবে যুক্তৰাষ্ট্ৰীয় চৰকাৰ বেছি ফলপ্ৰসূ হয়।

৩। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত ক্ষমতাৰ বিভাজনে স্থানীয় তথা ৰাজ্যিক সমস্যাসমূহৰ সমাধানৰ দায়িত্বৰ পৰা কেন্দ্ৰীয় চৰকাৰক ৰেহাই দিয়ে। ইয়াৰ ফলত জাতীয় গুৰুত্ব থকা বিষয়বিলাকত অধিক গুৰুত্ব দিবলৈ কেন্দ্ৰীয় চৰকাৰে সুবিধা পায়।

৪। যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা থকাত অন্তৰ্বিপ্লৱৰ শংকা কম থাকে আৰু কেন্দ্ৰীয় চৰকাৰ স্বেচ্চাচাৰী হোৱাৰ প্ৰৱণতা নাথাকে।

৫। যুক্তৰাষ্ট্ৰীয় চৰকাৰ অধিক গণতান্ত্ৰিক। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ বিতৰণ তথা বিকেন্দ্ৰীকৰণে সকলোকে গণতন্ত্ৰত অংশলোৱাৰ সুবিধা প্ৰদান কৰে।

## যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ দোষসমূহ ঃ

১। যুক্তৰাষ্ট্ৰীয় চৰকাৰত থকা ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ফলত কেন্দ্ৰ আৰু ৰাজ্য অথবা ৰাজ্যবিলাকৰ নিজৰ ভিতৰত ক্ষমতাৰ প্ৰয়োগক লৈ বিৰোধ হোৱাৰ সম্ভাৱনা থাকে। ফলত প্ৰশাসন দুৰ্বল হৈ পৰাৰ শংকা থাকে।

২। এই চৰকাৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাত জটিলতাৰ সৃষ্টি হয়।

৩। যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ সংবিধানখন দৃঢ় তথা অনমনীয় হোৱাৰ বাবে সময় আৰু পৰিস্থিতি সাপেক্ষে সংবিধান সংশোধন কৰাত জটিলতা আহে। ফলত প্ৰগতিত বাধা আহে।

৪। যুক্তৰাষ্ট্ৰীয় চৰকাৰত ক্ষমতাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত বিৰোধ হোৱাৰ সম্ভাৱনা থাকে।

৫। যুক্তৰাষ্ট্ৰীয় চৰকাৰত আঞ্চলিকতাবাদ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। আঞ্চলিকতাবাদে যুক্তৰাষ্ট্ৰক দুৰ্বল কৰে।

৬। যুক্তৰাষ্ট্ৰীয় চৰকাৰত অৰ্থ ব্যয় অধিক। বিভিন্ন ধৰণৰ চৰকাৰ থকাৰ ফলত ৰাজহুৱা ধন অধিক খৰচ হয়।


উপৰোক্ত দোষবিলাক থকা সত্ত্বেও বৰ্তমান পৃথিৱীত যুক্তৰাষ্ট্ৰীয় চৰকাৰে অধিক জনপ্ৰিয়তা লাভ কৰিছে। আমেৰিকা, আফ্ৰিকা, অষ্ট্ৰেলিয়া, ছুইজাৰলেণ্ড আৰু ভাৰতবৰ্ষৰ দৰে দেশত যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ সফল হোৱালৈ চাই দৃঢ়ভাৱে মত দিব পাৰি যে বিভিন্ন বৈচিত্ৰ্যৰে ভৰা বিশাল দেশত যুক্তৰাষ্ট্ৰীয় চৰকাৰ বেছি উপযোগী। এটা শাসন পদ্ধতি হিচাপে যুক্তৰাষ্ট্ৰীয় চৰকাৰ ভৱিষ্যতে অধিক জনপ্ৰিয় হোৱাৰ সম্ভাৱনা আছে।

## মূ ল ক থা

☛ চৰকাৰৰ শ্ৰেণীবিভাগ ঃ প্লেটো আৰু এৰিষ্টটলৰ বিভাজন

| **শাসকৰ লক্ষ্য ↓ সংখ্যা→** | **এজনৰ শাসন** | **কেইজনমানৰ শাসন** | **ৰাইজৰ শাসন** |
|---|---|---|---|
| জনকল্যাণৰ হকে— | ৰাজতন্ত্ৰ | অভিজাততন্ত্ৰ | ৰাজ্য ব্যৱস্থা |
| জনস্বাৰ্থৰ বিপীতে— | স্বৈৰতন্ত্ৰ | আঢ্যৰন্ততন্ত্ৰ | গণতন্ত্ৰ |

☛ লীককে আধুনিক যুগৰ চৰকাৰসমূহক মূলতঃ দুভাগত ভগাইছে— স্বৈৰতন্ত্ৰ আৰু গণতন্ত্ৰ




☞ বৰ্তমান পৃথিৱীত জনপ্ৰিয় হোৱা গণতান্ত্ৰিক চৰকাৰ চাৰি প্ৰকাৰৰ— এককেন্দ্ৰীয়, যুক্তৰাষ্ট্ৰীয়, সংসদীয় আৰু ৰাষ্ট্ৰপতীয়।

## অ নু শী ল নী

**অতি চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। চৰকাৰৰ শেণীবিভাজন কৰা প্ৰথমগৰাকী ৰাজনৈতিক দাৰ্শনিক কোন?

২। বৰ্তমান বিশ্বৰ আটাইতকৈ জনপ্ৰিয় চৰকাৰ কোনবিধ?

৩। সংসদীয় পদ্ধতিৰ চৰকাৰ থকা ৰাষ্ট্ৰ এখনৰ নাম লিখা।

৪। সংসদীয় পদ্ধতিৰ চৰকাৰৰ চৰকাৰপ্ৰধান আৰু ৰাষ্ট্ৰপ্ৰধান কোন?

৫। ক্ষমতাৰ পৃথকীকৰণ নীতি কেনে প্ৰকাৰৰ চৰকাৰৰ থাকে?

৬। ৰাষ্ট্ৰপতীয় চৰকাৰ থকা এখন ৰাষ্ট্ৰৰ নাম লিখা।

৭। এককেন্দ্ৰীয় চৰকাৰ থকা ৰাষ্ট্ৰ এখনৰ নাম লিখা।

৮। যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰত থকা দুবিধ চৰকাৰ কি কি?

৯। ছুইজাৰলেণ্ডত কোন পদ্ধতিৰ চৰকাৰ আছে?

১০। ভাৰতবৰ্ষত দ্বৈত নাগৰিকত্বৰ ব্যৱস্থা আছেনে?

**চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। বৰ্তমান সময়ত প্ৰচলিত বিশ্বৰ বিভিন্ন প্ৰকাৰৰ চৰকাৰ কি কি?

২। সংসদীয় পদ্ধতিৰ চৰকাৰৰ দুটা বৈশিষ্ট্য লিখা।

৩। সংসদীয় পদ্ধতিৰ চৰকাৰৰ দুটা দোষ আৰু দুটা গুণ চমুকৈ লিখা।

৪। ক্ষমতাৰ পৃথকীকৰণ নীতি মানে কি?

৫। ৰাষ্ট্ৰপতীয় চৰকাৰৰ দুটা বৈশিষ্ট্য লিখা।

৬। এককেন্দ্ৰীয় চৰকাৰৰ দুটা গুণ আৰু দুটা দোষ চমুকৈ লিখা।

**দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। ৰাষ্ট্ৰপতীয় চৰকাৰৰ গুণ আৰু দোষসমূহ লিখা।

২। সংসদীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ লিখা।

৩। যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ বৰ্তমান কিয় জনপ্ৰিয় হৈছে, উদাহৰণসহ আলোচনা কৰা।

৪। এককেন্দ্ৰীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ লিখা।

৫। এককেন্দ্ৰীয় চৰকাৰ প্ৰকৃততে গণতান্ত্ৰিকনে? সমালোচনা আগবঢ়োৱা।



নিম্ন সদন (লোকসভা)



উচ্চ সদন (ৰাজ্যসভা)


দ্বিতীয় খণ্ড
অর্থনীতি বিজ্ঞান
economics
supply
demand
money
resources
scarcity
Definition of Environmental Economics
"That part of economics which deals with inter-relationship between environment and economic development and studies the ways and means by which the former is not impaired nor is the latter impeded."
What are the three Fundamental Economic Questions?
What to produce?
How to produce?
For whom to produce?

প্ৰথম অধ্যায়

V7N9W4

# অৰ্থনীতিৰ মৌলিক বিষয়সমূহ

## মূল আলোচ্য বিষয়

- অৰ্থবিজ্ঞান আমি কিয় জানিব লাগে?
- অৰ্থবিজ্ঞানৰ গ্ৰহণযোগ্য সংজ্ঞা কি?
- অৰ্থবিজ্ঞানৰ পৰিসৰে কি কি সামৰি লয়?
- অৰ্থবিজ্ঞানৰ কোনবোৰ মৌলিক ধাৰণা আমাক দৰকাৰ?

সমাজ বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ অংগ হ'ল অৰ্থবিজ্ঞান। সমাজ আৰু সমাজৰ অংগ হিচাপে ব্যক্তিৰ আৰ্থিক কাৰ্যাৱলী অধ্যয়ন কৰা সমাজ বিজ্ঞানৰ বিভাগটোকেই অৰ্থবিজ্ঞান বা অৰ্থনীতি বুলি কোৱা হয়।

অৰ্থবিজ্ঞান (Economics) শব্দটো গ্ৰীক শব্দ 'Oikonomia'ৰ পৰা অনা হৈছে। 'Oikos' শব্দটোৰ অৰ্থ হৈছে পৰিয়াল আৰু 'nomos' শব্দৰ অৰ্থ হ'ল নিয়ম। গতিকে অৰ্থবিজ্ঞানক পৰিয়াল বা সমাজ পৰিচালনাৰ নিয়ম বুলি গণ্য কৰা হয়।

### ১.১ অৰ্থবিজ্ঞানৰ প্ৰয়োজনীয়তা ঃ


কেইবাটাও কাৰণত অৰ্থনীতি অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। তাৰে কেইটামান ঠোৰতে উল্লেখ কৰিব পাৰি। সুস্থ গণতন্ত্ৰত নাগৰিকৰ সচেতনতা অপৰিহাৰ্য। কৰদাতা নাগৰিক এগৰাকীয়ে নিশ্চয় জানিব খুজিব চৰকাৰে কিদৰে ৰাজহ সংগ্ৰহ কৰে, সংগৃহীত ৰাজহ কিদৰে ব্যয় কৰে, ব্যয় কৰোঁতে কি নীতি মানি চলে, সংগৃহীত ৰাজহৰ উচিত ব্যৱহাৰ হৈছে নে নাই ইত্যাদি। সমাজ সংগঠক বা সংস্কাৰক এগৰাকীয়ে ব্যাপক আৰু

গভীৰ দৰিদ্ৰতাৰ কাৰণসমূহ ফঁহিয়াই চাব বিচাৰিব। তেনে কৰোঁতে তেখেতে বুজি পাব যে সমস্যাটোৰ বহুতো কাৰণ অৰ্থনৈতিক। সচেতন গ্ৰাহক হিচাপে আমি জানিব খুজিম যে বজাৰত অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ মূল্যবৃদ্ধিৰ কাৰণসমূহ কি? বিশ্বায়ন বা গোলকীকৰণ কি? ইয়াৰ সুফল আৰু কুফলবোৰ কি কি? অৰ্থনৈতিক বিকাশ কি? পৰিৱেশীয় অৰ্থনীতি কি? এনেবোৰ বহুতো গুৰুত্বপূৰ্ণ বিষয় অৰ্থনীতিত অধ্যয়ন কৰা হয়।

## ১.২ অৰ্থবিজ্ঞানৰ সংজ্ঞা ঃ

অৰ্থবিজ্ঞান কি এই সম্পৰ্কে বিভিন্নজন অৰ্থনীতিবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। ইয়াৰ ভিতৰত এডাম স্মিথ (Adam Smith), আলফ্ৰেদ মাৰ্ছেল (Alfred Marshall), লায়নেল ৰবিন্স (Lionnel Robbins), ছেমুৱেলছন আৰু নৰ্দহাছ (Samuelson and Nordhaus)ৰ সংজ্ঞা উল্লেখযোগ্য।

### ১.২.১ এডাম স্মিথৰ সংজ্ঞা ঃ



*অৰ্থনীতি বিজ্ঞানৰ পিতৃস্বৰূপ এডাম স্মিথ*

অৰ্থনীতি বিজ্ঞানৰ পিতৃস্বৰূপ স্মিথে তেখেতৰ ১৭৭৬ চনত প্ৰকাশিত গ্ৰন্থ 'An Enquiry into the Nature and Causes of the Wealth of Nations'ত 'অৰ্থবিজ্ঞান সম্পদৰ বিজ্ঞান' (Economics is the Science of Wealth) বুলি অভিহিত কৰিছে। স্মিথৰ এই সংজ্ঞাটোক সম্পদ ভিত্তিক সংজ্ঞা বুলি কোৱা হয়।

স্মিথৰ এই সংজ্ঞাটো পিচৰ কালৰ সমাজবিজ্ঞানী কাৰ্লাইল আৰু ৰাস্কিনে যক্ষৰ বাণী (Gospel of the mammon) বুলি সমালোচনা কৰিছে। সম্পদ আহৰণ মানৱ জীৱনৰ মূল লক্ষ্য কেতিয়াও হ'ব নোৱাৰে। ই মানৱ জীৱনৰ মূল লক্ষ্য প্ৰাপ্তিৰ এক আহিলাহে মাত্ৰ। সম্পদক অধিক গুৰুত্ব প্ৰদান কৰিলে অৰ্থবিজ্ঞান এক নিৰাশাব্যঞ্জক বিজ্ঞান (Dismal Science)লৈ পৰিণত হ'ব।

### ১.২.২ আলফ্ৰেদ মাৰ্ছেলৰ সংজ্ঞা ঃ

কেম্‌ব্ৰিজ অৰ্থনীতিবিদ মাৰ্ছেলে তেখেতৰ ১৮৯০ চনত প্ৰকাশিত গ্ৰন্থ 'Principles of Economics'ত অৰ্থনীতিৰ কল্যাণ ভিত্তিক সংজ্ঞাটো দাঙি ধৰিছে। তেখেতৰ মতে **'মানৱ জাতিৰ দৈনন্দিন জীৱনৰ কাৰ্যাৱলী অধ্যয়নেই হৈছে অৰ্থনীতি'। ই ব্যক্তিগত আৰু সামাজিক কাৰ্যাৱলীৰ সেই অংশটো অধ্যয়ন কৰে, যিটো অংশ পাৰ্থিৱ কল্যাণ সাধন আৰু ইয়াৰ ব্যৱহাৰৰ সৈতে ঘনিষ্ঠভাৱে জড়িত।** সেয়েহে এহাতে অৰ্থনীতি হৈছে সম্পদৰ অধ্যয়ন, আনহাতে অধিক গুৰুত্বপূৰ্ণভাৱে ই মানৱ অধ্যয়নৰ এটা অংশ। (Economics is the study of mankind in the ordinary business of life. It examines that part of individual and social action which is most closely connected with the attainment and with the use of the material requisites of well-being. Thus, it is on the one side, a

study of wealth and on the other, and more important side, a part of the study of man).

স্মিথৰ সংজ্ঞাতকৈ মাৰ্শ্বেলৰ সংজ্ঞাটো বহু ক্ষেত্ৰত উন্নত। অথচ মাৰ্শ্বেলৰ সংজ্ঞাটোৱে এক গ্ৰহণযোগ্য সংজ্ঞাৰ আখ্যা নাপালে। কাৰণ মাৰ্শ্বেলে কেৱল পাৰ্থিৱ কল্যাণৰ কথাহে উল্লেখ কৰিছে। অপাৰ্থিৱ কল্যাণ সাধন যেনে শিক্ষক, চিকিৎসকৰ সেৱা আদিৰ কথা উল্লেখ কৰা নাই। তদুপৰি, বস্তুৱে সকলোধৰণৰ কল্যাণ সাধন নকৰিবও পাৰে। উদাহৰণস্বৰূপে, মদ, ভাং, চিগাৰেট সেৱনে মানৱ জাতিৰ কল্যাণ সাধন নকৰে। অথচ এইবোৰ সামগ্ৰীৰ উৎপাদন, উপভোগ, বিতৰণ সম্পৰ্কে অৰ্থবিজ্ঞানত আলোচনা কৰা হয়।

### ১.২.৩ লায়'নেল ৰবিন্সৰ সংজ্ঞা ঃ

অৰ্থনীতিবিদ লায়'নেল ৰবিন্সে ১৯৩২ চনত তেখেতৰ প্ৰকাশিত গ্ৰন্থ 'An Essay on the nature and significance of Economic Science'ত অৰ্থনীতিৰ অন্যতম গ্ৰহণযোগ্য সংজ্ঞাটো আগবঢ়াইছে। তেখেতৰ মতে 'যি বিজ্ঞানে মানুহৰ আচৰণক মানুহৰ অপৰিসীম আশা (লক্ষ্য) আৰু ইয়াৰ বিপৰীতে বিকল্পভাৱে ব্যৱহাৰ কৰিবলগীয়া সীমিত সম্পদৰ (উপায়) মাজৰ সম্পৰ্ক হিচাপে অধ্যয়ন কৰে সিয়েই অৰ্থনীতি' (Economics is the science which studies human behavior as a relationship between ends and scarce means which have alternative uses).

এই সংজ্ঞাটোত তিনিটা মৌলিক ধাৰণাই গুৰুত্ব লাভ কৰিছে—

(১) মানুহৰ অভাৱ অসীম (Human wants are unlimited)।

(২) অভাৱ পূৰণৰ উপায় বা আহিলাসমূহ সীমিত (Resources to satisfy human wants are limited)।

(৩) সীমিত সম্পদসমূহ বিকল্প ব্যৱহাৰযোগ্য (Scarce resources have alternative uses)।

এই তিনিটা মৌলিক ধাৰণাৰ পৰা অৰ্থনৈতিক সমস্যা তথা পছন্দৰ সমস্যা (problem of choice)ৰ সৃষ্টি হয়। বিকল্পভাৱে ব্যৱহাৰোপযোগী সীমিত সম্পদৰ সহায়ত অসীম অভাৱ (Unlimited wants)ৰ কোনটো অভাৱ পূৰণত অধিক গুৰুত্ব দিব সেয়ে লৈ যিসমূহ সমস্যাৰ সৃষ্টি হয় তাকে অৰ্থনৈতিক সমস্যা বা পছন্দৰ (বাছনি) সমস্যা বোলা হয়। ৰবিন্সৰ সংজ্ঞাক দুষ্প্ৰাপ্যতা (নাটনি)ৰ সংজ্ঞা বুলিও কোৱা হয়।

ৰবিন্সৰ সংজ্ঞাটোও সমালোচনাৰ উৰ্ধ্বত নহয়। কিয়নো সমালোচকসকলৰ মতে পছন্দৰ সমস্যাতকৈ বৰ্তমান কালৰ অৰ্থনৈতিক উন্নয়নৰ সমস্যাহে অধিক গুৰুত্বপূৰ্ণ আৰু ৰবিন্সৰ সংজ্ঞা এই ক্ষেত্ৰত নিমাত।

### ১.২.৪ ছেমুৱেলছন আৰু নৰ্দহাছৰ সংজ্ঞা ঃ

ছেমুৱেলছন আৰু নৰ্দহাছে 'দুষ্প্ৰাপ্যতা' ধাৰণাটোৰ লগত 'দক্ষতা' ধাৰণাটোক একেলগ কৰি অৰ্থনীতিৰ এটা সংজ্ঞা আগবঢ়াইছে। তেওঁলোকৰ মতে, **'দুষ্প্ৰাপ্যতাৰ বাস্তৱিকতা স্বীকাৰ কৰি লৈ সম্পদৰাজিৰ সৰ্বোত্তম দক্ষতাপূৰ্ণ ব্যৱহাৰৰ বাবে সমাজ গঠন কৰাটোৱেই হ'ল অৰ্থনীতিৰ মূল বিষয়।'** সীমিত সম্পদৰাজিক গঠনমূলকভাৱে ব্যৱহাৰ কৰাটোৱেই হৈছে অৰ্থনীতিৰ মূল বিষয়বস্তু।



*ছেমুৱেলছন (বাঁওফালে) নৰ্দহাছ (সোঁফালে)*

## ১.৩ অৰ্থবিজ্ঞানৰ পৰিসৰ (Scope of Economics)

অৰ্থবিজ্ঞানৰ পৰিসৰে সমাজৰ আৰ্থিক কাৰ্যকলাপক সামৰি লয়। অনাআৰ্থিক কাৰ্যকলাপ (যিবোৰ কাৰ্যকলাপ অৰ্থ উপাৰ্জন, ব্যয় তথা বিতৰণৰ লগত জড়িত নহয়) অৰ্থবিজ্ঞানৰ বিষয়বস্তুৰ ভিতৰত ধৰা নহয়। অৰ্থবিজ্ঞানৰ পৰিসৰে সাধাৰণতে নিম্নোক্ত বিষয়কেইটা সামৰি লয়।

**(১) ভোগকাৰ্য (Consumption) ঃ** আমাৰ অভাৱ দূৰ কৰাৰ কাৰ্যকলাপেই হৈছে ভোগ। ভোগকাৰ্যৰ লগত জড়িত বিধিসমূহ, ভোক্তাৰ ভাৰসাম্য ইত্যাদি অধ্যয়ন অৰ্থনীতিৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

**(২) উৎপাদন (Production) ঃ** উপযোগী সামগ্ৰী অথবা সেৱাৰ সৃষ্টিয়েই হৈছে



*উৎপাদন ঃ উপযোগী সামগ্ৰী অথবা সেৱাৰ সৃষ্টি।*

উৎপাদন। উৎপাদনৰ চাৰিটা উপাদান— ভূমি, শ্ৰম, মূলধন আৰু সংগঠনৰ উপৰি উৎপাদনৰ বিধি, উৎপাদকৰ ভাৰসাম্য, আৰ্থিক ব্যৱস্থা ইত্যাদি সম্পৰ্কে অৰ্থবিজ্ঞানত আলোচনা কৰা হয়।

**(৩) বিতৰণ (Distribution) ঃ** সামগ্ৰীৰ উৎপাদন কাৰ্য সম্পাদন কৰাৰ পাছত ইয়াক উপভোক্তাৰ মাজত বিতৰণ কৰিলেহে ভোগকাৰ্য সম্ভৱ হৈ উঠিব। বিতৰণ প্ৰক্ৰিয়া যাতে সঠিক হয় তাৰ বাবে যিবোৰ নীতি বা তত্ত্ব অনুসৰণ কৰাৰ প্ৰয়োজন সেই সকলোবোৰ তত্ত্ব 'বিতৰণ' বিষয়ৰ মাজত আলোচনা কৰা হয়।



*বিনিময়ৰ প্ৰাথমিক নীতি*


**(৪) বিনিময় (Exchange) ঃ** কোনো ব্যক্তি বা অঞ্চল বা দেশে লাগতিয়াল প্ৰতিবিধ সামগ্ৰী নিজে উৎপাদন কৰি ল'ব নোৱাৰে। এনে ক্ষেত্ৰত ব্যক্তি, অঞ্চল আৰু দেশৰ মাজত বিনিময়ৰ আৱশ্যক হয়। সেয়েহে, আভ্যন্তৰীণ বাণিজ্য (Internal Trade) আৰু আন্তৰ্জাতিক বাণিজ্য (International Trade)ৰ জৰিয়তে দেশীয় আৰু আন্তৰ্জাতিক বিনিময় হয়। অৰ্থনীতিত এই দুয়ো প্ৰকাৰৰ বিনিময়ৰ বিষয়ে আলোচনা কৰা হয়।





***অসমৰ মৰিগাঁও জিলাৰ জোনবিল মেলা ঃ*** *এই মেলা প্ৰত্যক্ষ বিনিময় (Barter) প্ৰথাৰ এক উৎকৃষ্ট উদাহৰণ। পঞ্চদশ শতিকাৰ পৰাই চলি থকা এই মেলালৈ কাৰ্বি, খাচি, তিৱা, জয়ন্তীয়া আদি জনজাতীয় লোকসকলে নিজৰ উৎপাদিত সামগ্ৰী লৈ পাহাৰৰ পৰা নামি আহে আৰু ভৈয়ামৰ লোকৰ সামগ্ৰীৰ লগত এই মেলাত বিনিময় কৰে। এই মেলাখন উত্তৰ-পূব ভাৰতৰ জাতি-জনজাতিৰ মাজত ভ্ৰাতৃত্ব আৰু সমন্বয়ৰ প্ৰতীক স্বৰূপ।*

**(৫) মুদ্ৰা (Money) ঃ** দ্ৰব্যৰ প্ৰত্যক্ষ বিনিময় (Barter) প্ৰথাৰ অসুবিধাসমূহ আঁতৰাই বিনিময় ব্যৱস্থাক সৰলতা প্ৰদান কৰাৰ বাবেই মুদ্ৰাৰ সৃষ্টি হৈছিল। মুদ্ৰাৰ ভূমিকা, মুদ্ৰাৰ কাৰ্যাৱলী আৰু প্ৰকাৰ ইত্যাদিৰ বিষয়ে কৰা আলোচনা অৰ্থনীতিৰ পৰিসৰৰ এক উল্লেখযোগ্য অংশ।




*কেইখনমান দেশৰ মুদ্ৰাৰ ছবি*

**(৬) আয় (Income) ঃ** জনমূৰি আয়, ৰাষ্ট্ৰীয় বা জাতীয় আয়, ইয়াৰ বৃদ্ধি তথা বিতৰণ, অৰ্থনৈতিক কল্যাণৰ লগত ইয়াৰ সম্পৰ্ক আলোচনা কৰাটো অৰ্থনীতিৰ পৰিসৰৰ অন্তৰ্গত।

**(৭) ৰাজস্ব বা ৰাজহুৱা বিত্ত বিজ্ঞান (Public Finance) ঃ** চৰকাৰী আয়, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণৰ আলোচনাই হৈছে ৰাজহুৱা বিত্তবিজ্ঞান।


**(৮) কল্যাণকামী অৰ্থনীতি (Welfare Economics) ঃ** কেৱল ভোগকাৰ্য, উৎপাদন তথা বিতৰণেই অৰ্থনীতিৰ মূল বিষয়বস্তু হ'ব নোৱাৰে। এনেবোৰ কাৰ্যৰ লগত ব্যক্তি তথা



**অমৰ্ত্য সেন**
(ন'বেল পুৰস্কাৰপ্ৰাপ্ত ভাৰতীয় অৰ্থনীতিবিদ)

সমাজৰ কল্যাণৰ দিশটো মন কৰিব লাগিব। অৰ্থনীতিবিদ এ চি পিগু (A.C. Pigou), ভিলফ্ৰেড' পেৰেট' (Vilfredo Pereto), হিক্স (Hicks), অমৰ্ত্য সেন (Amartya Sen) আদিয়ে কল্যাণকামী অৰ্থনীতিক জনপ্ৰিয় কৰি তুলিছে।

**(৯) পৰিৱেশীয় অৰ্থনীতি (Economics of Environment) ঃ** এহাতে অৰ্থনৈতিক উন্নতি ক্ষিপ্ৰতৰ কৰাৰ অৰ্থে ঔদ্যোগিকৰণৰ ওপৰত অধিক মনোনিৱেশ আৰু আনহাতে পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য বিনষ্টই পৃথিৱীৰ সমাজবিজ্ঞানীসকলক অধিক চিন্তান্বিত কৰি তুলিছে। এনে ক্ষেত্ৰত পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য কিদৰে ৰক্ষা কৰিব পাৰি সেই উদ্দেশ্যে পাৰিপাৰ্শ্বিকতাৰ অধ্যয়ন অৰ্থনীতি বিষয়ত অন্তৰ্ভুক্ত কৰা হৈছে। এই সংযোজনে অৰ্থনীতি বিষয়ত এক নতুন মাত্ৰা প্ৰদান কৰিছে।




পৰিৱেশীয় অৰ্থনীতিৰ বিষয়বস্তু ঃ জলসম্পদ, শক্তি, জৈৱ বৈচিত্ৰ্য, জলবায়ুৰ পৰিৱৰ্তন ইত্যাদি।


**(১০) দক্ষতা (Efficiency) ঃ** সীমিত সম্পদৰাজিক দক্ষতাপূৰ্ণ ব্যৱহাৰৰ যোগেদি সমাজ গঠন কৰাটো অৰ্থনীতিৰ মূল বিষয়। এই সীমিত সম্পদৰাজি দক্ষতাপূৰ্ণ ব্যৱহাৰৰ যোগেদি উৎপাদন প্ৰক্ৰিয়াৰ ধাৰা ত্বৰান্বিত কৰিব পাৰিলেহে মানৱ সমাজৰ কল্যাণ হ'ব।

ওপৰোক্ত বিষয়সমূহ অৰ্থনীতিৰ পৰিসৰৰ ভিতৰত পৰে। কিন্তু এটা কথা মন কৰিব লাগিব যে বৰ্তমান গতিশীল পৃথিৱীত কোনো এটা বিষয়ৰ পৰিসৰ সীমাবদ্ধ হৈ নাথাকে। সময়ৰ লগে লগে বিষয়বস্তুয়েও গতিশীলতা লাভ কৰে। সেয়েহে অৰ্থবিজ্ঞানৰ ভিতৰত গোলকীয় অৰ্থনীতিৰ নতুন ধাৰণা, বহনক্ষম উন্নয়ন আদি নতুন নতুন বিষয় অন্তৰ্ভুক্ত হৈ ইয়াৰ পৰিসৰো বৃদ্ধি হৈছে।

## ১.৪ অৰ্থবিজ্ঞানৰ কেইটামান মৌলিক ধাৰণা ঃ


অৰ্থনীতি বা অৰ্থবিজ্ঞানৰ কিছুমান ধাৰণা সচৰাচৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা অৰ্থতকৈ কিছু পৃথক। এনে কিছুমান ধাৰণাৰ সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

(১) বস্তু বা সামগ্ৰী (Goods) ঃ মানুহৰ অভাৱ পূৰণ কৰি সন্তুষ্টি প্ৰদান কৰিব পৰা সকলো সামগ্ৰী (Commodity) আৰু সেৱাকাৰ্য (Service)কে অৰ্থবিজ্ঞানত বস্তু বুলি কোৱা হয়। বস্তুবোৰক ভৌতিক (যেনে, চকী-মেজ, ঘৰ-দুৱাৰ, যন্ত্ৰ-পাতি, খাদ্য, বস্ত্ৰ আদি) আৰু অভৌতিক (যেনে- শিক্ষক, চিকিৎসক, ৰাজনীতিবিদ, আৰক্ষী, অধিবক্তা আদিৰ সেৱা) এই দুই ভাগত বিভক্ত কৰিব পাৰি। বস্তুবোৰক পুনৰ **মুক্ত বস্তু** আৰু **আৰ্থিক বস্তু** এই দুটা শ্ৰেণীত ভাগ কৰা হয়। মুক্ত বস্তুবোৰ হৈছে প্ৰকৃতিৰ





আৰ্থিক বস্তু


মুক্ত বস্তু


প্ৰস্তুত সামগ্ৰী


মুক্ত বস্তু


মূলধন জাতীয় বস্তু

মুক্ত দান। যেনে- **সূৰ্যৰ তাপ, বতাহ, বৰষুণৰ পানী ইত্যাদি**। আৰ্থিক বস্তুবোৰৰ যোগান চাহিদাতকৈ সীমিত। সেয়েহে এনে বস্তুৰ দৰ বা দাম (Price) থাকে। উদাহৰণস্বৰূপে **বিজুলীৰ পোহৰ, খাদ্য, বস্ত্ৰ আদি আৰ্থিক বস্তু**। বস্তুক পুনৰ ভোগ্যবস্তু (Consumption goods) আৰু উৎপাদক বস্তু (Producer goods) বা মূলধন জাতীয় বস্তু (Capital goods) এই দুটা ভাগত ভাগ কৰিব পাৰি। ভোগ্য বস্তুবোৰে প্ৰত্যক্ষভাৱে আমাৰ অভাৱ পূৰণ কৰে। কিন্তু মূলধন জাতীয় বা উৎপাদক বস্তুবোৰক উৎপাদন কাৰ্যত ব্যৱহাৰ কৰা হয়। ভোগ্য বস্তুক **প্ৰস্তুত সামগ্ৰী** (Finished goods) আৰু মূলধন জাতীয় বস্তুক **অন্তৰ্বৰ্তী সামগ্ৰী** (Intermediate goods) বুলি কোৱা হয়।

**(২) উপযোগিতা (Utility) ঃ** উপযোগিতা হৈছে কোনো বস্তুৰ বা সেৱাৰ মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতা। যেনেকৈ এসাজ ভাত বা কেইখনমান ৰুটিয়ে ক্ষুধাতুৰ এজনৰ ভোক দূৰ কৰিব পাৰে, তেনেকৈ এজন চিকিৎসকৰ সেৱাৰ পৰা ৰোগীয়ে আৰোগ্য লাভ কৰে। বস্তুৰ বা সেৱাৰ এনে অভাৱ দূৰ কৰিব পৰা ক্ষমতাই হৈছে উপযোগিতা।

**(৩) সম্পদ (Wealth) ঃ** সকলো বস্তু সম্পদ নহয়। সম্পদ হ'বৰ কাৰণে বস্তুৰ উপযোগিতা, অপ্ৰচুৰতা বা দুৰ্লভতা, হস্তান্তৰযোগ্যতা আৰু বাহ্যিকতা— এই চাৰিটা বৈশিষ্ট্য বা গুণ থাকিব লাগিব। সূৰ্যৰ ৰশ্মিৰ যোগান প্ৰচুৰ, শচীন টেণ্ডুলকাৰৰ ক্ৰীড়া প্ৰতিভা বা মহাত্মা গান্ধীৰ স্বদেশ প্ৰেম অহস্তান্তৰযোগ্য, বাহ্যিকতাবিহীন। সেইবাবে অৰ্থনীতিত এইবোৰক সম্পদ বুলি ধৰা নহয়। খাদ্যদ্ৰব্য, বস্ত্ৰ, চকী-মেজ, কয়লা, খাৰুৱা তেল আদি সম্পদ। কাৰণ এই সকলোবোৰতে সম্পদৰ সকলো গুণ দেখা যায়। অৰ্থবিজ্ঞানৰ মতে বস্তু এটা সম্পদ হ'বলৈ সি ব্যৱহাৰযোগ্য হ'ব লাগিব, মূল্যৱান (দুৰ্লভ) হ'ব লাগিব, এজনে আনজনক দিব পৰা আৰু ভৌতিক অস্তিত্ব (বাহ্যিকতা) থকা হ'ব লাগিব।

**(৪) অভাৱ (Wants) ঃ** কোনো বস্তুৰ পৰা উপযোগিতা লাভৰ আকাংক্ষা সৃষ্টি হোৱাকে অভাৱ বোলে। আন কথাত কোনো এটা বস্তুৰ ব্যৱহাৰ অত্যাৱশ্যকীয় হৈ পৰা অৱস্থাই হ'ল অভাৱ। উদাহৰণস্বৰূপে দৈনন্দিন ব্যস্ততাৰ মাজত অৱসাদ দূৰ কৰাৰ বাবে যদি গান শুনাৰ আকাংক্ষা সৃষ্টি হয় তাকে অভাৱ বুলি কোৱা হয়। জীয়াই থাকিবলৈ ভাত, কাপোৰ, ঘৰ ইত্যাদিবোৰ অত্যাৱশ্যকীয়। কিন্তু এইবোৰ নথকালৈকে ই অভাৱ হিচাপে বিবেচিত হ'ব।

**(৫) কল্যাণ (Welfare) ঃ** কল্যাণ দুই প্ৰকাৰৰ— অৰ্থনৈতিক কল্যাণ (Economic welfare) আৰু অনা-অৰ্থনৈতিক কল্যাণ (Non-economic welfare)। অৰ্থনৈতিক কল্যাণ মুদ্ৰাৰ মাধ্যমত সাধন কৰিব পাৰি। অনা-অৰ্থনৈতিক কল্যাণ হৈছে নৈতিক আৰু সামাজিক কল্যাণ, যিবোৰ মুদ্ৰাৰে জুখিব নোৱাৰি। পিতৃ-মাতৃয়ে সন্তানৰ বাবে কৰা কল্যাণ এক অনা-অৰ্থনৈতিক কল্যাণৰ উদাহৰণ। অৰ্থনীতিত কেৱল অৰ্থনৈতিক কল্যাণহে বিশেষকৈ আলোচনা কৰা হয়।



*অনা-অৰ্থনৈতিক কল্যাণ কাৰ্য*




*অনা-অৰ্থনৈতিক কল্যাণৰ কেইটামান প্ৰকাৰ*

**(৬) দৰ (Price) ঃ** কোনো বস্তুৰ মুদ্ৰা মূল্যই হৈছে বস্তুটোৰ দৰ বা দাম। অৰ্থাৎ বস্তুৰ বিনিময় মূল্যই হৈছে দাম। যেনে এখন কিতাপৰ মূল্য ৭৫ টকা, এটা লেপটপ কম্পিউটাৰৰ সৰ্বোচ্চ খুচুৰা মূল্য ৩২৭৫০ টকা ইত্যাদি।


**(৭) চাহিদা (Demand) ঃ** এজন ভোক্তাৰ কোনো বস্তু এটা পাবলৈ থকা হাবিয়াস বা আকাংক্ষাক চাহিদা বুলি কোৱা হয় যদিহে উক্ত বস্তুটো ক্ৰয় কৰাৰ আৰ্থিক ক্ষমতা ভোক্তাজনৰ থাকে। এজন ভিক্ষাৰী লোকে যদি এখন মটৰ গাড়ী কিনাৰ ইচ্ছা কৰে তেন্তে সেই ইচ্ছাক চাহিদা বুলি ক'ব নোৱাৰি। কাৰণ ভিক্ষাৰীজনৰ মটৰ গাড়ীৰ কিনাৰ আৰ্থিক ক্ষমতা নাই। চাহিদা অনুপাতে বহুতো বস্তুৰ যোগান কম হ'ব পাৰে। যেনে— গাখীৰ, আলু, মিঠাতেল, দাইল, চাউল ইত্যাদি। গুৱাহাটী মহানগৰীৰ চাহিদা অনুপাতে গাখীৰৰ যোগান কম।

**(৮) যোগান (Supply) ঃ** উৎপাদনৰ যিটো অংশ বজাৰলৈ বিক্ৰীৰ বাবে অনা হয় সেই অংশটোক যোগান বুলি কোৱা হয়। আমাৰ দেশত সামগ্ৰীৰ যোগানৰ বাবে যোগান বিভাগ আছে। ইয়াৰ বিভাগীয় মন্ত্ৰীও থাকে। ভাৰতীয় খাদ্য নিগম (Food Corporation of India চমুকৈ FCI) হৈছে এটা দেশখনত খাদ্য মজুত কৰা আৰু যোগান ধৰা এটা সংস্থা।

**(৯) বজাৰ (Market) ঃ** সাধাৰণ অৰ্থত বজাৰ বুলি ক'লে এখন ঠাইক বুজায় য'ত বস্তুৰ ক্ৰয়-বিক্ৰয় কৰা হয়। কিন্তু অৰ্থবিজ্ঞানত বজাৰে কেৱল কোনো এখন নিৰ্দিষ্ট ঠাইকেই নুবুজায়। অৰ্থবিজ্ঞানত বজাৰ বুলি ক'লে এনে এটা ব্যৱস্থাক বুজায় য'ত এক নিৰ্দিষ্ট সময়ত এক নিৰ্দিষ্ট দৰত কোনো এটা বস্তুৰ গ্ৰাহক (ক্ৰেতা) আৰু বিক্ৰেতাৰ মাজত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কিনা-বেচা হয়। উদাহৰণস্বৰূপে গুৱাহাটীৰ ফাচী বজাৰ, পাণবজাৰ, শ্বপিং মল আদি কিছুমান সচৰাচৰ বজাৰ। কিন্তু ষ্টক বজাৰ, অনলাইন বজাৰ আদিও কিছুমান বজাৰৰ উদাহৰণ।



*অনলাইন বজাৰ*



*ষ্টক বজাৰ*

**(১০) মূলধন (Capital) ঃ** উৎপাদনৰ উপায় বা আহিলাই হৈছে মূলধন। অৰ্থাৎ উৎপাদনৰ সেই অংশটোক মূলধন বুলি কোৱা হয় যিবোৰ পুনৰ উৎপাদনৰ কামত ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে খাদ্যশস্য উৎপাদনৰ বাবে ব্যৱহাৰ কৰা এডৰা মাটি বা ট্ৰেক্টৰখন হৈছে মূলধন, কাপোৰ উৎপাদনৰ বাবে ব্যৱহাৰ কৰা তাঁতশাল, চিলাই মেচিন আদি যন্ত্ৰপাতিসমূহ মূলধন।

**(১১) সঞ্চয় (Savings) ঃ** আয়ৰ যি অংশ ভোগ কাৰ্যত ব্যয় কৰা নহয় তাকে সঞ্চয় বুলি কোৱা হয়। সেয়েহে আয় = ভোগ ব্যয় + সঞ্চয় বুলি কোৱা হয়। সঞ্চয় হৈছে মূলধন সৃষ্টিৰ এটা ভাল উপায়।

**(১২) বিনিয়োগ (Investment) ঃ** মূলধন যেতিয়া উৎপাদন কাৰ্যত ব্যৱহাৰ কৰা হয় তাকে বিনিয়োগ বোলে। মূলধন হৈছে এক মজুত (Stock) ধাৰণা আৰু বিনিয়োগ (Investment) হ'ল এক প্ৰৱাহ (Flow) ধাৰণা। বেংকত এক লাখ টকা মজুত থাকিলে সি মূলধন হ'ব। যেতিয়া এই টকাৰে যন্ত্ৰপাতি কিনি বস্তু উৎপাদনৰ এটা কাৰখানা প্ৰতিষ্ঠা কৰা হ'ব তেতিয়া ই 'বিনিয়োগ' কৰা হ'ব। এই বিনিয়োগৰ পৰা নিয়মিত উৎপাদন আৰু উপাৰ্জন হ'ব। সেয়ে ইয়াক প্ৰবাহ বোলা হৈছে।

**(১৩) ৰাষ্ট্ৰীয় আয় (National Income) ঃ** এখন দেশৰ এটা নিৰ্দিষ্ট বিত্তীয় বৰ্ষ (Financial Year)ত যি দ্ৰব্য বা সেৱা সামগ্ৰী উৎপাদন কৰা হয় তাৰ মুদ্ৰা মূল্যই হৈছে ৰাষ্ট্ৰীয় আয়।

**ভাৰত**

*ভাৰতবৰ্ষ আয়তনত পৃথিৱীৰ সপ্তম বৃহত্তম দেশ, ১.২ বিলিয়ন*তকৈ অধিক জনসংখ্যাৰে দ্বিতীয় বৃহত্তম জনসংখ্যাৰ দেশ আৰু পৃথিৱীৰ বৃহত্তম গণতন্ত্ৰ।*

**ভাৰতৰ ৰাষ্ট্ৰীয় আয়**

(১) মুঠ জনমূৰি ৰাষ্ট্ৰীয় আয় — ৫৩৫০ পি পি পি** ডলাৰ। (২০১৩)

(২) মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) — ১.৮৭৭ ট্ৰিলিয়ন ডলাৰ। (২০১৩)


(৩) মুঠ জনমূৰি ঘৰুৱা উৎপাদন — ১,৪৯৮.৮৭ ডলাৰ (২০১৩)

* ১ বিলিয়ন = ১০০ কোটি

** পি পি পি = Purchasing Power Parity (PPP)

**(১৪) জনমূৰি আয় (Per-capita Income) ঃ** এখন দেশৰ মুঠ ৰাষ্ট্ৰীয় আয়ক দেশখনৰ জনসংখ্যাৰে ভাগ কৰিলে যি মান পোৱা যায় তাকে দেশখনৰ জনমূৰি আয় বুলি কোৱা হয়। অৰ্থাৎ

$$\text{জনমূৰি আয়} = \frac{\text{ৰাষ্ট্ৰীয় আয়}}{\text{দেশৰ মুঠ জনসংখ্যা}}$$




ৰাজ্যভিত্তিক ৰাষ্ট্ৰীয় জনমূৰি আয়ৰ চিত্ৰ (টকাত)।

## ১.৫ ব্যষ্টিবাদী (সূক্ষ্ম) আৰু সমষ্টিবাদী (স্থূল) অৰ্থনীতি (Micro and Macro Economics) :

অৰ্থবিজ্ঞানৰ বিষয় আৰু সমস্যা অনুধাৱন আৰু বিশ্লেষণৰ বাবে দুটা নিৰ্দিষ্ট পদ্ধতি আছে। এই দুটা পদ্ধতি হ'ল ব্যষ্টিবাদী অৰ্থনৈতিক বিশ্লেষণ আৰু সমষ্টিবাদী (স্থূল) অৰ্থনৈতিক বিশ্লেষণ।

ব্যষ্টিবাদী অৰ্থনীতি (Micro-Economics) শব্দটো গ্ৰীক শব্দ 'Mikros'ৰ পৰা আহিছে যাৰ অৰ্থ হ'ল 'সৰু'। সমষ্টিবাদী অৰ্থনীতি (Macro-Economics) শব্দটো গ্ৰীক শব্দ 'Makros'ৰ পৰা আহিছে যাৰ অৰ্থ হৈছে 'ডাঙৰ'। ব্যষ্টিবাদী অৰ্থনীতিয়ে ব্যক্তি বা ব্যক্তিগত প্ৰতিষ্ঠানৰ অৰ্থনৈতিক আচৰণসমূহ গাইগুটীয়াকৈ আলোচনা কৰে। এজন ভোক্তা, এজন উদ্যোক্তা বা এখন ঔদ্যোগিক প্ৰতিষ্ঠান, এখন বজাৰ, এজন ঋণদাতা, এজন সঞ্চয়কাৰীৰ অৰ্থনৈতিক আচৰণ ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ অন্তৰ্ভুক্ত। আনহাতে, এখন দেশৰ অৰ্থনীতিৰ সামগ্ৰিক আচৰণ অৰ্থাৎ সকলোবোৰ ভোক্তা, উপভোক্তা আদিৰ আচৰণ সমষ্টিবাদী অৰ্থনীতিৰ অন্তৰ্ভুক্ত। দেশ এখনৰ জনসংখ্যা, নিয়োগ, ঔদ্যোগিকৰণ, কৃষি ইত্যাদিৰ অধ্যয়ন সমষ্টিবাদী অৰ্থনীতিৰ অন্তৰ্গত। সূক্ষ্ম ব্যষ্টিবাদী অৰ্থনীতিৰ অধ্যয়ন হৈছে ব্যক্তিগত (Individual) আৰু স্থূল বা সমষ্টিবাদী অৰ্থনীতিৰ অধ্যয়ন হৈছে সামূহিক (Aggregate)।

### মূ ল ক থা

- অৰ্থবিজ্ঞান সমাজ বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ অংগ। অৰ্থবিজ্ঞানে সীমিত সম্পদৰ কিদৰে যথোচিত ব্যৱহাৰ কৰিব পাৰি সেই সম্পৰ্কে আলোচনা / অধ্যয়ন কৰে।
- এডাম স্মিথ, মাৰ্চেল, ৰবিন্স, ছেমুৱেলছন আৰু নৰ্দহাছ আদি বিভিন্নজন অৰ্থনীতিবিদে অৰ্থবিজ্ঞানৰ সংজ্ঞা আগবঢ়াইছে। এই সকলোবোৰৰ ভিতৰত ৰবিন্সৰ সংজ্ঞা অধিক গ্ৰহণযোগ্য।
- ৰবিন্সৰ সংজ্ঞাত তিনিটা মৌলিক ধাৰণাই গুৰুত্ব লাভ কৰিছে — মানুহৰ অভাৱ অপৰিসীম, অভাৱ পূৰণৰ উপায়সমূহ সীমিত, এই সীমিত উপায়সমূহৰ বিকল্প ব্যৱহাৰ আছে। সেয়েহে উপযুক্ত বিকল্প ব্যৱহাৰৰ ক্ষেত্ৰত মানুহে 'পছন্দ' কৰিবলগীয়া হয়। তেনেদৰেই আৰ্থিক সমস্যাৰ সৃষ্টি হয়।
- ভোগকাৰ্য, উৎপাদন, বিতৰণ, বিনিময়, মুদ্ৰা, আয়, ৰাজস্ব বিজ্ঞান, কল্যাণ, পৰিৱেশীয় অৰ্থনীতি আদি অৰ্থনীতিৰ পৰিসৰৰ অন্তৰ্গত। কিন্তু অৰ্থনীতিৰ পৰিসৰ সমাজৰ পৰিৱৰ্তনৰ লগে লগে বৃদ্ধি পাই আহিছে।
- অৰ্থবিজ্ঞানত বহুতো মৌলিক ধাৰণা আছে। যেনে বস্তু, উপযোগিতা, সম্পদ, অভাৱ, কল্যাণ, দৰ, চাহিদা, যোগান, বজাৰ, মূলধন, সঞ্চয়, বিনিয়োগ, ৰাষ্ট্ৰীয় আয়, জনমূৰি আয় ইত্যাদি। অৰ্থনীতিত এই ধাৰণাবোৰৰ অৰ্থ দৈনন্দিন জীৱনত সচৰাচৰ ব্যৱহাৰ কৰা অৰ্থতকৈ বেলেগ।
- অৰ্থবিজ্ঞানৰ পদ্ধতি দুটা— সূক্ষ্ম বা ব্যষ্টিবাদী (Micro) আৰু স্থূল বা সমষ্টিবাদী (Macro)। সূক্ষ্ম অৰ্থনীতিৰ অধ্যয়ন ব্যক্তিবিশেষ আৰু স্থূল অৰ্থনীতিৰ অধ্যয়ন হৈছে সামগ্ৰিক।

## অ নু শী ল নী

**অতি চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। অৰ্থনীতি শব্দটো কোনটো ভাষাৰ শব্দৰ পৰা অনা হৈছে?
২। অৰ্থনীতি শব্দটো কোনটো শব্দৰ পৰা লোৱা হৈছে?
৩। অৰ্থবিজ্ঞানৰ পিতৃস্বৰূপ কোন?
৪। অৰ্থবিজ্ঞানৰ সম্পদ ভিত্তিক সংজ্ঞাটো কোনে আগবঢ়াইছিল?
৫। অৰ্থবিজ্ঞানৰ কল্যাণ ভিত্তিক সংজ্ঞাটো কোনে আগবঢ়াইছিল?
৬। অৰ্থবিজ্ঞানৰ দুষ্প্ৰাপ্যতাৰ সংজ্ঞাটো কোনে আগবঢ়াইছিল?
৭। এডাম স্মিথে কোনখন গ্ৰন্থত আৰু কেতিয়া অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল?
৮। আলফ্ৰেড মাৰ্চেলে কোনখন গ্ৰন্থত আৰু কেতিয়া অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল?
৯। লায়'নেল ৰবিন্সে কোনখন গ্ৰন্থত আৰু কেতিয়া অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল?
১০। এডাম স্মিথৰ সংজ্ঞাটোক যক্ষৰ বাণী বুলি কোনে কৈছিল?
১১। দক্ষতাৰ ওপৰত গুৰুত্ব দি কোনে অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছে?
১২। কোনো বস্তুৰ মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতাক কি বুলি কোৱা হয়?
১৩। উৎপাদনৰ উৎপাদিত আহিলাক কি বুলি কোৱা হয়?
১৪। 'Micro' আৰু 'Macro' শব্দ দুটা কোন দুটা শব্দৰ পৰা লোৱা হৈছে?

**চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। এডাম স্মিথৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।
২। মাৰ্চেলৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।
৩। ৰবিন্সৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।
৪। ছেমুৱেলছন আৰু নৰ্দহাছৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।
৫। ৰবিন্সৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটোৰ মৌলিক ধাৰণা কেইটা কি কি?
৭। ব্যষ্টিবাদী অৰ্থবিজ্ঞান কাক বোলে?
৮। সমষ্টিবাদী অৰ্থবিজ্ঞান কাক বোলে?
৯। আৰ্থিক বস্তু আৰু অনাআৰ্থিক বস্তুৰ পাৰ্থক্য লিখা।
১০। ৰাষ্ট্ৰীয় আয় কাক বোলে?
১১। জনমুৰি আয়ৰ সূত্ৰটো লিখা।

**দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। অৰ্থবিজ্ঞান অধ্যয়নৰ প্ৰয়োজনীয়তা উদাহৰণ সহ ব্যাখ্যা কৰা।
২। অৰ্থবিজ্ঞানৰ কোনটো সংজ্ঞা আটাইতকৈ বেছি গ্ৰহণযোগ্য আৰু কিয়! ব্যাখ্যা কৰা।
৩। অৰ্থবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে লিখা।

## অমৰ্ত্য সেন

**জন্ম ঃ** ৩ নৱেম্বৰ, ১৯৩৩, মাণিকগঞ্জ (বৰ্তমান বাংলাদেশৰ অন্তৰ্গত)

**পুৰস্কাৰ ঃ** ১৯৯৮ চনত ন'বৈল পুৰস্কাৰ, ১৯৯৯ চনত ভাৰত ৰত্ন, আৰু ২০১২ চনত ৰাষ্ট্ৰীয় হিউমেনিটিছ মেডেল।



*১৯৯৮ চনত অমৰ্ত্য সেনে (বাঁওফালে) অৰ্থনীতি বিজ্ঞানৰ ন'বৈল পুৰস্কাৰ গ্ৰহণ কৰাৰ এটা মুহূৰ্ত।*

দ্বিতীয় অধ্যায়

# মূল অৰ্থনৈতিক সমস্যাসমূহ

## মূল আলোচ্য বিষয়

- দৰিদ্ৰতা আৰু দৰিদ্ৰতাৰ সীমাৰেখা বুলিলে কি বুজা যায়?
- ভাৰতবৰ্ষত দৰিদ্ৰতাৰ অৱস্থা আৰু কাৰণবোৰ কি কি?
- জনসংখ্যা বৃদ্ধিৰ সমস্যাসমূহ কি কি?
- নিবনুৱা সমস্যাৰ কাৰণসমূহ
- মুদ্ৰাস্ফীতি— ইয়াৰ কাৰণ, প্ৰভাৱ আৰু নিয়ন্ত্ৰণৰ উপায়
- বহনক্ষম উন্নয়নৰ ধাৰণা
- সেউজ অৰ্থনীতিৰ ধাৰণা

## ২.১ দৰিদ্ৰতা আৰু অসমতা

### ২.১.১ দৰিদ্ৰতাৰ সংজ্ঞা (Definition of Poverty) ঃ

পৃথিৱীৰ বিভিন্ন দেশে সন্মুখীন হৈ অহা এক জ্বলন্ত সমস্যা হৈছে দৰিদ্ৰতা। দৰিদ্ৰতাৰ সংজ্ঞা বিভিন্নজনে বিভিন্ন ধৰণে আগবঢ়াইছে। বহল অৰ্থত দৰিদ্ৰতাই এনে এক অৱস্থাক বুজায় য'ত এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ মৌলিক প্ৰয়োজন সমূহ যেনে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধাসমূহ আহৰণত ব্যৰ্থ হয়।

সম্পদ আৰু আয়ৰ অসম বিতৰণে এখন দেশৰ অৰ্থনীতিত অৰ্থনৈতিক অসমতাৰ সৃষ্টি কৰে। ইয়াৰ ফলস্বৰূপে ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধান বৃদ্ধি পায়। ফলত

দৰিদ্ৰ লোকসকল দৰিদ্ৰতাৰ পাকচক্ৰ (Vicious Circle of Poverty)ত পৰি দৰিদ্ৰৰ পৰা আৰু অধিক দৰিদ্ৰতাৰ মাজলৈ গতি কৰে।

## ২.১.২ দৰিদ্ৰতাৰ সীমাৰেখা (Poverty Line) ঃ

দৰিদ্ৰতাৰ সীমাৰেখাই বিতৰণ ৰেখাৰ এনে এক নিম্নতম সীমা নিৰ্দ্ধাৰণ কৰি দিয়ে যি এখন দেশৰ জনসাধাৰণক দৰিদ্ৰ (Poor) আৰু অদৰিদ্ৰ (non-poor) এই দুটা ভাগত ভাগ কৰে। ভাৰতবৰ্ষৰ দৰিদ্ৰ সীমাৰেখাৰ বিভিন্ন ব্যাখ্যা আগবঢ়োৱা হৈছে যদিও কেলৰি (Calorie) ভিত্তিক ব্যাখ্যাটোৱে হৈছে অধিক প্ৰচলিত। ভাৰতৰ পৰিকল্পনা আয়োগে কেলৰি ভিত্তিত আগবঢ়োৱা সংজ্ঞাৰ মতে গাঁও অঞ্চলত দৈনিক জনমূৰি ন্যূনতম ২৪০০ কেলৰি আৰু চহৰ অঞ্চলত দৈনিক জনমূৰি ন্যূনতম ২১০০ কেলৰি খাদ্য আহৰণ কৰিব নোৱাৰিলে এজন ব্যক্তিক দৰিদ্ৰ বুলি কোৱা হয়। গাঁও অঞ্চলত অধিক কেলৰিৰ প্ৰয়োজন হয় কাৰণ গাঁৱলীয়া লোকৰ চহৰীয়া লোকতকৈ শাৰীৰিক পৰিশ্ৰম বেছি। ন্যূনতম কেলৰি আহৰণ কৰিবলৈ চলিত দৰৰ হিচাপত গাঁও অঞ্চলত আৰু চহৰ অঞ্চলত জনমূৰি মাহিলী ব্যয়ৰ পৰিমাণ আছিল এনে ধৰণৰ—

| বৰ্ষ | গ্ৰামাঞ্চল | চহৰাঞ্চল |
|---|---|---|
| ২০০০-২০০১ | ৩২৮ টকা | ৪৫৪ টকা |
| ২০০৫-২০০৬ | ৩৬৮ টকা | ৫৫৮ টকা |

নক'লেও হ'ব যে দ্ৰব্যমূল বৃদ্ধি হ'লে আৰু জনমূৰি মাহিলী ব্যয়ৰ পৰিমাণ অপৰিৱৰ্তনীয় হৈ থাকিলে কেলৰিৰ পৰিমাণ একে হৈ নাথাকিব।

## ২.১.৩ ভাৰতবৰ্ষত দৰিদ্ৰতাৰ ব্যাপকতা (Extent of poverty in India) ঃ

ব্যাপক আৰু গভীৰ দৰিদ্ৰতা ভাৰতীয় অৰ্থনীতিৰ অন্যতম প্ৰধান বৈশিষ্ট্য। ভাৰতবৰ্ষত দৰিদ্ৰ লোকৰ সংখ্যা কিমান এই প্ৰশ্নটোৰ সৰ্বগ্ৰহণযোগ্য উত্তৰ পাবলৈ নাই বুলি ক'লে অত্যুক্তি কৰা নহ'ব। সময়ে সময়ে গঠন কৰি দিয়া সমিতি বা আয়োগৰ প্ৰতিবেদনত দৰিদ্ৰতাৰ বিভিন্ন পৰিসংখ্যা দাঙি ধৰা হৈছে। এই প্ৰতিবেদনসমূহত এইটো স্পষ্ট হৈ পৰিছে যে স্বাধীনোত্তৰ কালছোৱাত আমাৰ দেশত দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস হৈ আহিবলৈ ধৰিছে। অৱশ্যে যি হাৰত এই সংখ্যা কমি আহিছে সেই হাৰ আশানুৰূপ হোৱা নাই।

উল্লেখযোগ্য যে ৫০ আৰু ৬০ৰ দশক দুটাত ভাৰতবৰ্ষৰ দৰিদ্ৰতা সমস্যাটোৰ অধ্যয়নৰ ক্ষেত্ৰত কোনো অনুষ্ঠান বা প্ৰতিষ্ঠানে (যেনে তদানীন্তন পৰিকল্পনা আয়োগ) আগভাগ লোৱা নাছিল; ব্যক্তি বিশেষৰ উদ্যোগতহে এনে অধ্যয়ন সম্পন্ন কৰা হৈছিল। ৭০ৰ দশকৰ আগভাগৰ পৰাহে পৰিকল্পনা আয়োগে দৰিদ্ৰতাৰ পৰিসংখ্যা প্ৰণালীবদ্ধভাৱে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। মন কৰিবলগীয়া যে পঞ্চম পৰিকল্পনা (১৯৭৪-৭৯) তেই



*দৰিদ্ৰতা ঃ ভাৰতীয় অৰ্থনীতিৰ এখন চিনাকি ছবি।*

দৰিদ্ৰতা নিৰ্মূলকৰণ পৰিকল্পনাৰ এক মূল লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছিল। সেইখন পৰিকল্পনাতেই (খাদ্য, বস্ত্ৰ, আশ্ৰয় ইত্যাদি সামৰি) ন্যূনতম প্ৰয়োজন আঁচনিখনো যুগুত কৰা হৈছিল।

ৰাষ্ট্ৰীয় নমুনা সমীক্ষা কাৰ্যালয় (পূৰ্বৰ সংস্থা) (National Sample Survey Office)ৰ তত্ত্বাৱধানত মাহিলী জনমূৰি ভোগ ব্যয় (monthly per capita consumption expenditure)ৰ তথ্য আহৰণ কৰা হয় আৰু তাৰ ভিত্তিতেই দৰিদ্ৰতাৰ সীমাৰেখা নিৰ্ধাৰণ কৰা হয়। দৰিদ্ৰতাৰ হিচাপ লওঁতে পৰিকল্পনা আয়োগে এনেবোৰ তথ্যপাতি ব্যৱহাৰ কৰিছিল।

শেহতীয়াকৈ দুটা বিশেষজ্ঞ দলে ভাৰতবৰ্ষৰ দৰিদ্ৰতা সমস্যাটোৰ অধ্যয়ন কৰি প্ৰতিবেদন দাখিল কৰিছে। ২০০৯ চনত অধ্যাপক তেণ্ডুলকাৰৰ পৌৰোহিত্যত দাখিল কৰা প্ৰতিবেদন মতে ২০০৯-১০ চনত গাঁও অঞ্চলত ৩৩.৮ শতাংশ আৰু নগৰ অঞ্চলত ২০.৯ শতাংশ লোক আৰু মুঠতে জনসংখ্যাৰ ২৯.৮ শতাংশ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰিছিল। দ্বিতীয়টো বিশেষজ্ঞ দলৰ অধ্যক্ষ আছিল ৰঙ্গৰাজন। ৰঙ্গৰাজন সমিতিৰ প্ৰতিবেদনখন দাখিল কৰা হয় ২০১৪ চনত। এই প্ৰতিবেদন অনুসৰি ২০১১-১২ চনত গাঁও অঞ্চলত ৩০.৯ শতাংশ আৰু নগৰ অঞ্চলত ২৬.৪ শতাংশ লোক আৰু মুঠতে দেশৰ জনসংখ্যাৰ ২৯.৫ শতাংশ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে।

তেণ্ডুলকাৰ সমিতিৰ প্ৰতিবেদন অনুসৰি অসমৰ মুঠ জনসংখ্যাৰ ৩৪.৪ শতাংশ লোক দৰিদ্ৰ। গাঁও অঞ্চলত এই সংখ্যাটো হৈছে ৩৬.৪ শতাংশ আৰু চহৰ অঞ্চলত ২১.৮ শতাংশ। আনহাতে, ৰঙ্গৰাজন সমিতিৰ মতে অসমৰ মুঠ জনসংখ্যাৰ ৪০.৯ শতাংশ লোক দৰিদ্ৰ আৰু গাঁও অঞ্চলত ৪২.০ শতাংশ আৰু চহৰ অঞ্চলত ৩৪.২ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত আছে।

### ২.১.৪ দৰিদ্ৰতাৰ কাৰণসমূহ (Causes of Poverty) ঃ

দৰিদ্ৰতাৰ কাৰণসমূহ ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি— (ক) ঐতিহাসিক, (খ) অৰ্থনৈতিক আৰু (গ) সামাজিক।

**(ক) ঐতিহাসিক ঃ** ইংৰাজৰ শাসনকালত ভাৰতবৰ্ষৰ সম্পদৰাজিৰ বৰ্হিগমন হয় আৰু ভাৰতীয় অৰ্থনীতিৰ ভেটি দুৰ্বল হৈ পৰে। দাদাভাই নৌৰজীৰ গ্ৰন্থ 'Poverty and UnBritish Rule in India'ত বিষয়টোৰ বহল ব্যাখ্যা আগবঢ়োৱা হৈছে। স্বাধীনতা লাভৰ সময়তেই ভাৰতবৰ্ষৰ দৰিদ্ৰতাৰ সমস্যাটো প্ৰকট হৈ উঠিছিল।

**(খ) অৰ্থনৈতিক ঃ** গ্ৰাম্য ভাৰতবৰ্ষত দৰিদ্ৰতাৰ মূল কাৰণসমূহ হ'ল— ভূমিৰ মালিকীস্বত্বৰ অভাৱ, কৃষি খণ্ডৰ বাহিৰত কৰ্মসংস্থাপনৰ অভাৱ, কৃষিখণ্ডত উদ্ভৱ হোৱা ঋতুজ নিবনুৱা, অশিক্ষিত আৰু অদক্ষ শ্ৰমিকৰ প্ৰাদুৰ্ভাৱ, সীমিত কৃষি উৎপাদনৰ পৰিমাণ, নিম্ন মজুৰি হাৰ ইত্যাদি। চহৰ অঞ্চলত দৰিদ্ৰতাৰ মূল কাৰণবোৰ হ'ল— গাঁও অঞ্চলৰ দৰিদ্ৰতাৰ বাবে চহৰ অঞ্চললৈ সৃষ্টি হোৱা অবিৰাম প্ৰব্ৰজন, আৱাসগৃহৰ অভাৱ, খোৱাপানীৰ অভাৱ, দূষিত পৰিৱেশ, বস্তি অঞ্চলৰ সৃষ্টি ইত্যাদি। এইবোৰ কাৰণৰ উপৰিও সামগ্ৰিকভাৱে জনসংখ্যা বৃদ্ধিয়ে পৰিয়ালৰ সঞ্চয় ক্ষমতা হ্ৰাস কৰাৰ ফলত বিনিয়োগৰ বাবে মূলধন সীমিত হৈ পৰাত অৰ্থনৈতিক উন্নয়নৰ হাৰ উৎসাহজনক হোৱা নাই।


**(গ) সামাজিক ঃ** জাতিভেদ আৰু বৰ্ণভেদ প্ৰথাৰ ফলত জনসংখ্যাৰ বুজনসংখ্যক লোক আৰ্থ-সামাজিক উন্নয়নৰ সুফলবোৰৰ পৰা বঞ্চিত হৈ পৰাত দৰিদ্ৰতাৰ সমস্যাটোৱে এক জটিল ৰূপ ধাৰণ কৰিছে।

## ২.২ জনসংখ্যাৰ সমস্যা (Problem of population) ঃ

যিবিলাক সমস্যাই ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে দেখা দিছে তাৰ ভিতৰত মূল সমস্যাটোৱেই হৈছে জন বিস্ফোৰণ। জন বিস্ফোৰণে জনসংখ্যাৰ অত্যধিক বৃদ্ধিকে সূচায়। ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ হাৰ পৃথিৱীৰ ভিতৰতে সৰ্বাধিক। জনসংখ্যাৰ ফালৰ পৰা ভাৰত পৃথিৱীৰ দ্বিতীয় জনবহুল দেশ। প্ৰথম জনবহুল দেশ হ'ল চীন দেশ। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যা হৈছে ১২১ কোটি। বিশ্বৰ মাটিকালিৰ ২.৪ শতাংশ ভাৰতবৰ্ষত আছে আৰু বিশ্বৰ জনসংখ্যাৰ ১৭.৫ শতাংশ হৈছে

ভাৰতৰ জনসংখ্যা।

ভাৰতবৰ্ষত সকলো ৰাজ্যৰ ভিতৰত অধিক জনবহুল ৰাজ্য হৈছে উত্তৰপ্ৰদেশ (২০১১ চনৰ লোকপিয়ল মতে ১৯.৯ কোটি)। আটাইতকৈ কম জনসংখ্যা আছে লাক্ষাদ্বীপত (৬৪,৪২৯ জন)। ২০১১ চনৰ লোকপিয়ল মতে অসমৰ জনসংখ্যা হৈছে প্ৰায় ৩ কোটি ১২ লাখ। অসমৰ আটাইতকৈ বেছি জনসংখ্যা থকা জিলাখন হৈছে নগাঁও জিলা ২৮ লাখ ২৬ হাজাৰ। ইয়াৰ পাছতেই আছে ধুবুৰী জিলাৰ নাম (১৯ লাখ ৪৮ হাজাৰ)। অসমৰ আটাইতকৈ কম জনসংখ্যা থকা জিলাখন হৈছে ডিমা হাচাও (২,১৩,৫২৯)।




*ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ*

**২০১১ চনৰ লোকপিয়ল মতে ভাৰত তথা অসমৰ কিছু জনসাংখ্যিক তথ্য ঃ**

ভাৰতবৰ্ষৰ কিছু জনসাংখ্যিক তথ্য—

১। জনসংখ্যাৰ ঘনত্ব (প্ৰতি বৰ্গকিলোমিটাৰত জনসংখ্যা) ঃ ৩৮২ জন। আটাইতকৈ বেছি জনসংখ্যাৰ ঘনত্ব থকা ৰাজ্য হ'ল পশ্চিমবংগ (১০২৯) আৰু সৰ্বনিম্ন ঘনত্ব থকা ৰাজ্য হ'ল অৰুণাচল প্ৰদেশ (১৭)।

২। দশকটোত (২০০১-২০১১) জনসংখ্যাৰ বৃদ্ধি (Decadal growth)ৰ হাৰ হৈছে ১৭.৬৪ শতাংশ।

৩। লিংগ অনুপাত (প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা) ৯৪০। দেশৰ ৰাজ্যসমূহৰ ভিতৰত কেৰালাত লিংগ অনুপাত সৰ্বাধিক (১০৮৪) আৰু হাৰিয়ানাত লিংগ অনুপাত সৰ্বনিম্ন (৮৭৭)।

অসমৰ কিছু জনসাংখ্যিক তথ্য—

১। অসমৰ জনসংখ্যাৰ ঘনত্ব হৈছে ৩৯৭ জন। অৰ্থাৎ অসমৰ জনসংখ্যা ঘনত্ব দেশৰ জনসংখ্যাৰ ঘনত্বতকৈ বেছি। অসমৰ কামৰূপ মহানগৰ জিলাত জনসংখ্যাৰ ঘনত্ব সৰ্বাধিক (২০১০)। দ্বিতীয় জনসংখ্যাৰ ঘনত্ব বেছি থকা জিলা হ'ল ধুবুৰী (১১৭১)। সৰ্বনিম্ন জনসংখ্যাৰ ঘনত্ব থকা ৰাজ্য হ'ল ডিমা হাচাও (৪৪)।

২। দশকটোত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হ'ল ১৫.৩৫ শতাংশ। এই হাৰ ধুবুৰী জিলাত সৰ্বাধিক (২৪.৪ শতাংশ) আৰু কোকৰাঝাৰত সৰ্বনিম্ন (৫.১৯)।

৩। অসমৰ লিংগ অনুপাত হৈছে ৯৫৪। ই এক শুভ লক্ষণ। কাৰণ এই অনুপাত সৰ্বভাৰতীয় অনুপাততকৈ বেছি। মৰিগাঁও জিলাত লিংগ অনুপাত আটাইতকৈ বেছি (৯৭৪) আৰু কামৰূপ মহানগৰত আটাইতকৈ কম (৯২২)।

অসম তথা ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ মূল কাৰণসমূহৰ ভিতৰত তলৰ কাৰণবোৰ উল্লেখযোগ্য ঃ

১। উচ্চ জন্ম হাৰ।

২। নিৰক্ষৰতা।

৩। দৰিদ্ৰতা।

৪। সামাজিক অজ্ঞতা।

৫। জনসংখ্যা শিক্ষাৰ অভাৱ।

অসমৰ ক্ষেত্ৰত বহিঃ ৰাজ্য আৰু ৰাষ্ট্ৰৰ পৰা অহা প্ৰব্ৰজনে জনসংখ্যাৰ সমস্যাটোক অধিক জটিল কৰি তুলিছে। বিশেষকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ আৰু নেপালৰ পৰা হোৱা অবৈধ অনুপ্ৰৱেশে অসমৰ জনগাঁথনিত বিৰূপ প্ৰভাৱ পেলাইছে।

## ২.৩ নিবনুৱা সমস্যা ঃ

সাধাৰণতে নিবনুৱা শব্দটোৱে কৰ্মহীনতাক বুজায়। যিসকল লোকে কাম কৰাৰ কোনো সুযোগ নাপায় তেওঁলোকক নিবনুৱা বুলি কোৱা হয়। কিন্তু অৰ্থনীতিত নিবনুৱা বুলি ক'লে সেইসকলক বুজায় যাৰ কাম কৰাৰ ক্ষমতা আৰু ইচ্ছা আছে, কিন্তু কোনো উপযুক্ত সংস্থাপন নাপায়। এজন লোকৰ কৰ্ম কৰাৰ ক্ষমতা আছে, কিন্তু তেওঁ যদি চলিত মজুৰিত কাম কৰাৰ বাবে ইচ্ছুক নহয় তেন্তে তেওঁক নিবনুৱা বুলি ক'ব নোৱাৰি।

### ২.৩.১ নিবনুৱাৰ প্ৰকাৰ ঃ

নিবনুৱা সাধাৰণতে দুই প্ৰকাৰৰ - গ্ৰাম্য নিবনুৱা আৰু চহৰীয়া নিবনুৱা। গ্ৰাম্য নিবনুৱা দুই শ্ৰেণীৰ— ঋতুজ নিবনুৱা (Seasonal unemployment) আৰু ছদ্মবেশী বা প্ৰছন্ন নিবনুৱা (Disguised unemployment)। ঋতুজ নিবনুৱা সকল বছৰৰ এটা সময়ৰ বাবেহে নিবনুৱা, বাকী সময়ত তেওঁলোক বনুৱা হয়। উদাহৰণস্বৰূপে কৃষিকাৰ্য্যত জড়িত লোকসকল ঋতুজ নিবনুৱা। ছদ্মবেশী বা প্ৰছন্ন নিবনুৱা সকল দেখাত বনুৱা হয়। কিন্তু তেওঁলোকৰ মুঠ উৎপাদনত অলপো ভূমিকা নাথাকে। উদাহৰণস্বৰূপে এটা কাম যদি দুজন মানুহে কৰিব পাৰে, তাত যদি পাঁচজন লোকক নিযুক্ত কৰা হয় তেন্তে ওপৰঞ্চি তিনিজন লোকক ছদ্মবেশী নিবনুৱা বুলি কোৱা হয়।

চহৰীয়া নিবনুৱাও দুই প্ৰকাৰৰ - ঔদ্যোগিক নিবনুৱা (Industrial unemployment) আৰু শিক্ষিত নিবনুৱা (Educated unemployment)। চহৰৰ ঔদ্যোগিক খণ্ডত যিসকল লোকে কৰ্মসংস্থাপনৰ সুবিধা লাভ নকৰে তেওঁলোকক ঔদ্যোগিক নিবনুৱা বুলি কোৱা হয়। আনহাতে উপযুক্ত শিক্ষাগত অৰ্হতা থকা স্বত্বেও যেতিয়া কোনো লোকে কৰ্মসংস্থাপনৰ সুবিধা লাভ নকৰে তেওঁলোকক শিক্ষিত নিবনুৱা বুলি কোৱা হয়।

### ২.৩.২ কৰ্মসংস্থাপনৰ গুণগত মান ঃ

যি কৰ্মস্থলীত মজুৰিৰ লগতে শ্ৰমিকগৰাকীয়ে বীমাকৰণ, ভবিষ্যনিধি, বিনামূলীয়া স্বাস্থ্যসেৱা ইত্যাদি সামাজিক সুৰক্ষা লাভ কৰে তাত নিয়োগৰ গুণগতমান উন্নত হয়। সংগঠিত খণ্ডত নিয়োগৰ গুণগত মান সদায় উন্নত মানৰ। অসংগঠিত খণ্ডত এনেবোৰ সামাজিক সুৰক্ষাৰ ব্যৱস্থা নথকাত কৰ্মসংস্থাপনৰ কোনো গুণগত মানদণ্ড নাথাকে। ভাৰতবৰ্ষত ৯০ শতাংশতকৈও অধিক মহিলা কৰ্মী অসংগঠিত খণ্ডত আছে। সংগঠিত খণ্ডত নিয়োগ কৰা শ্ৰমিকৰ সংখ্যা ১০ জন বা ততোধিক হয়। এই সংখ্যা ১০ জনতকৈ কম হ'লে অসংগঠিত বা অবিধিবদ্ধ খণ্ড বোলে।

### ২.৩.৩ কৰ্মী-জনসংখ্যা অনুপাত ঃ

মুঠ কৰ্মী-সংখ্যাক জনসংখ্যাৰে ভাগ কৰি ১০০ৰে পূৰণ কৰিলে কৰ্মী জনসংখ্যা অনুপাত পোৱা যায়। যিমানে এই অনুপাত বেছি হয় সিমানেই নিবনুৱাৰ সংখ্যা হ্ৰাস পায়।

**তালিকা ঃ কৰ্মী-জনসংখ্যা অনুপাত প্ৰতি ১০০০ জনৰ বিপৰীতে (সচৰাচৰ ভিত্তিত)**

| | গাঁও অঞ্চল | | | চহৰ অঞ্চল | | | গাঁও আৰু চহৰ একেলগে | | |
|---|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ |
| ভাৰত | ৫৩৫ | ১৭৬ | ৩৫৯ | ৫৪২ | ১২৫ | ৩৪২ | ৫৩৭ | ১৬১ | ৩৫৪ |
| অসম | ৫৩৭ | ৮১ | ৩২২ | ৫৩৮ | ৮৪ | ৩২৪ | ৫৩৭ | ৮১ | ৩২২ |

**উৎস** ঃ ৰাষ্ট্ৰীয় নমুনা সমীক্ষা ৬৮ তম্ চক্ৰ, জুলাই ২০১১-জুন ২০১২, ৰিপৰ্ট নং ৫৫৪

### ২.৩.৪ ভাৰতবৰ্ষ তথা অসমত নিবনুৱাৰ হাৰ ঃ

ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় নমুনা সমীক্ষা সংস্থা (National Sample Survey Organisation) ই নিবনুৱাৰ সংখ্যা গণনা কৰে। নিবনুৱাৰ সংখ্যা গণনা কৰিবলৈ NSSO য়ে তিনিটা ধাৰণাৰ উদ্ভাৱন কৰিছে।

(১) সচৰাচৰ ভিত্তিত (Usual status) বা চলিত বছৰৰ ভিত্তিত

(২) চলিত দৈনিক ভিত্তিত (Current daily status)

(৩) চলিত সাপ্তাহিক ভিত্তিত (Current weekly status)

এই ধাৰণাকেইটাৰ ভেটি হৈছে সংস্থাই সামৰি লোৱা লোকসকলৰ কৰ্মদিনৰ দৈৰ্ঘ্য।

ৰাষ্ট্ৰীয় নমুনা সমীক্ষাৰ ৬৮তম অধ্যয়নৰ মতে সচৰাচৰ ভিত্তি (usual status)ত ভাৰতবৰ্ষ আৰু অসমত নিবনুৱাৰ হাৰ (প্ৰতি ১০০০জন শ্ৰমশক্তিৰ বিপৰীতে নিবনুৱা লোকৰ সংখ্যা) তলৰ তালিকাখনত দেখুওৱা হৈছে ঃ

**তালিকা ঃ নিবনুৱাৰ হাৰ প্ৰতি ১০০০ জনৰ বিপৰীতে (সচৰাচৰ ভিত্তিত)**

| | গাঁও অঞ্চল | | | চহৰ অঞ্চল | | | গাঁও আৰু চহৰ একেলগে | | |
|---|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ |
| ভাৰত | ২১ | ২৯ | ২৩ | ৩২ | ৬৬ | ৩৮ | ২৪ | ৩৬ | ২৭ |
| অসম | ৪৪ | ৯২ | ৫০ | ৫৪ | ৭৫ | ৫৭ | ৪৬ | ৮৯ | ৫০ |

**উৎস** ঃ ৰাষ্ট্ৰীয় নমুনা সমীক্ষা ৬৮ তম্ চক্ৰ, জুলাই ২০১১-জুন ২০১২, ৰিপৰ্ট নং ৫৫৪

### ২.৩.৫ নিবনুৱা সমস্যাৰ কাৰণ ঃ

নিবনুৱা সমস্যাৰ বহুতো কাৰণ আছে। তাৰ ভিতৰত তলৰ কাৰণবোৰ উল্লেখযোগ্য—

১। **দ্ৰুত জনসংখ্যা বৃদ্ধি ঃ** দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে নিবনুৱা সমস্যাৰ সৃষ্টিত বৰঙণি যোগাইছে। বৰ্দ্ধিত জনসংখ্যা অনুপাতে নিয়োগৰ সা-সুবিধা পৰ্যাপ্ত নোহোৱাত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ লৈছে।

২। **নিয়োগ বিহীন উন্নয়ন ঃ** দেশখনত ৰাষ্ট্ৰীয় আয় বৃদ্ধিৰ হাৰ আৰু নিয়োগ বৃদ্ধি হাৰৰ ব্যৱধান বৃদ্ধি পাইছে। এনে অৱস্থাক নিয়োগবিহীন উন্নয়ন (Job less growth) বুলি কোৱা হয়। ফলশ্ৰুতিত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে।

৩। **স্থবিৰ কৃষি উন্নয়ন ঃ** ভাৰতবৰ্ষৰ দৰে এখন কৃষি প্ৰধান দেশত কৃষি ব্যৱস্থাৰ যি উন্নয়ন হ'ব লাগিছিল সেয়া হৈ উঠা নাই। ফলস্বৰূপে কৃষিজীৱী লোকৰ মাজত নিয়োগৰ সুবিধাৰ অভাৱ সৃষ্টি হৈছে।

৪। **ঔদ্যোগীকৰণৰ মন্থৰ গতি ঃ** দেশখনত ঔদ্যোগিক উন্নয়ন যি হাৰত হ'ব লাগিছিল সেয়া হৈ নুঠাত ঔদ্যোগিক নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে।

৫। **ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা ঃ** প্ৰচলিত শিক্ষা ব্যৱস্থাই জনসাধাৰণক নিয়োগৰ উপযোগী (Employable) কৰি তুলিব নোৱাৰাত শিক্ষিত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। বৃত্তিমুখী তথা কাৰিকৰী শিক্ষাৰ অভাৱে জনসাধাৰণক স্বাৱলম্বী কৰি তুলিব পৰা নাই।

উপৰোক্ত কাৰক সমূহৰ উপৰিও নিম্ন মূলধন গঠন, দৰিদ্ৰতা, উপযুক্ত পৰিকল্পনাৰ অভাৱ আদি বহুতো কাৰকে নিবনুৱা সমস্যা সমাধানত বাধা আৰোপ কৰি আহিছে। গতিকে উপযুক্ত চৰকাৰী নীতি প্ৰস্তুত কৰি এই সমস্যা সমাধান কৰাটো অতীব প্ৰয়োজন।

## ২.৪ মুদ্ৰাস্ফীতি ঃ

সাধাৰণতে সামগ্ৰীৰ দাম বৃদ্ধি হোৱা অৱস্থাক মুদ্ৰাস্ফীতি বুলি কোৱা হয়। কিন্তু অৰ্থনীতিত মুদ্ৰাস্ফীতি বুলি ক'লে একে লেথাৰিয়ে সাধাৰণ মূল্যস্তৰ বৃদ্ধি পোৱা অৱস্থাক বুজোৱা হয়। মুদ্ৰাস্ফীতি হ'লে বস্তুৰ মূল্য বৃদ্ধি পায় কিন্তু মুদ্ৰাৰ মূল্য কমি যায়।

### মুদ্ৰাস্ফীতিৰ কাৰণ ঃ

মুদ্ৰাস্ফীতিৰ মূল কাৰণ দুটা। এটা হ'ল চাহিদাজনিত (Demand pull) আৰু আনটো হ'ল ব্যয়জনিত (Cost-push)।

চাহিদাজনিত মুদ্ৰাস্ফীতি হ'ল জনসাধাৰণৰ যেতিয়া দ্ৰব্য বা সেৱাৰ প্ৰতি চাহিদা অধিক বৃদ্ধি পায় আৰু সেই অনুপাতে দ্ৰব্য আৰু সেৱাৰ যোগান বৃদ্ধি নাপায়। এনে অৱস্থাত মানুহৰ হাতত অধিক মুদ্ৰা বা ক্ৰয় ক্ষমতা থাকে, আৰু ইয়াৰে বজাৰত থকা কম পৰিমাণৰ দ্ৰব্য বা সেৱাৰ প্ৰতি চাহিদা বাঢ়ে। ফলস্বৰূপে দ্ৰব্য আৰু সেৱা বিলাকৰ মূল্য বৃদ্ধি পায়। এনে অৱস্থাত মুদ্ৰাস্ফীতিৰ সৃষ্টি হয়।

কালবৰ্ণ (Coulborn)ৰ মতে যেতিয়া 'অধিক পৰিমাণৰ মুদ্ৰাৰে অলপ সামগ্ৰী ক্ৰয় কৰিবলগীয়া হয়' তেনে অৱস্থাকে মুদ্ৰাস্ফীতি বুলি কোৱা হয় (Inflation is a situation of too much money chasing too few goods)। অৰ্থাৎ তেওঁৰ মতে অধিক মুদ্ৰা তথা ক্ৰয়ক্ষমতা থকাৰ বাবে কম পৰিমাণৰ সামগ্ৰীৰ বিপৰীতে অধিক চাহিদাৰ সৃষ্টি হয় তেতিয়াই মূল্যস্তৰ বৃদ্ধি পায়।

মুদ্ৰাস্ফীতিৰ অন্য এটা কাৰণ হ'ল দ্ৰব্য আৰু সেৱাৰ উৎপাদন ব্যয় বৃদ্ধি। ইয়াক ব্যয়জনিত মুদ্ৰাস্ফীতি (Cost-push inflation) বুলি কোৱা হয়। ব্যয়জনিত মুদ্ৰাস্ফীতি প্ৰধানকৈ তিনিটা কাৰকৰ ফলত সৃষ্টি হয়— (ক) মজুৰি বৃদ্ধি, (খ) লাভৰ পৰিমাণ বৃদ্ধি আৰু (গ) দ্ৰব্যৰ ওপৰত আৰোপ কৰা কৰৰ বাবে হোৱা বোজা।




*৩ টকাত এটা পিঁয়াজ! মুদ্ৰাস্ফীতিৰ হাৰ ইমান বেছি?*

### ২.৪.১ মুক্ত আৰু দমিত মুদ্ৰাস্ফীতি (Open and suppressed inflation) ঃ

যেতিয়া দৰ স্তৰৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে আৰু দৰ অবাধে বৃদ্ধি হয় তেনে অৱস্থাক মুক্ত মুদ্ৰাস্ফীতি বুলি কোৱা হয়। অন্যহাতেদি চৰকাৰে বিভিন্ন প্ৰত্যক্ষ ব্যৱস্থাৰ যোগেদি যেনে ৰাজহুৱা বিতৰণ ব্যৱস্থা, চৰকাৰী ভাবে দৰ নিৰ্ধাৰণ আদিৰ যোগেদি দৰ নিয়ন্ত্ৰণ কৰে। এনে নিয়ন্ত্ৰণ ব্যৱস্থাই দৰ স্তৰ মুক্ত মুদ্ৰাস্ফীতিৰ দৰ স্তৰতকৈ কমত ৰাখে আৰু দৰ স্তৰ বৃদ্ধিৰ পৰিমাণ হ্ৰাস হয়। এনে মুদ্ৰাস্ফীতিক দমিত মুদ্ৰাস্ফীতি বুলি কোৱা হয়।

### ২.৪.২ মুদ্ৰাস্ফীতিৰ প্ৰভাৱ ঃ

মুদ্ৰাস্ফীতিয়ে এখন অৰ্থনীতিত বিভিন্ন ধৰণে প্ৰভাৱ পেলায়। মুদ্ৰাস্ফীতিৰ ফলত আটাইতকৈ ক্ষতিগ্ৰস্ত হোৱা শ্ৰেণীটো হৈছে স্থিৰ বেতনভোগী শ্ৰেণীটো। কিয়নো মুদ্ৰাস্ফীতিৰ সময়ত বস্তুৰ দৰ বৃদ্ধি পায়, কিন্তু স্থিৰ বেতনভোগীসকলৰ আয় বা মজুৰি বৃদ্ধি নাপায়। ফলস্বৰূপে তেওঁলোকৰ আৰ্থিক অৱস্থালৈ সংকট নামি আহে। মুদ্ৰাস্ফীতিয়ে সঞ্চয়ৰ ওপৰতো কু প্ৰভাৱ পেলায়। মূল্য (দৰ) স্তৰ বৃদ্ধি পোৱাত ভোগ

কার্যত অধিক ব্যয় কৰিব লগাত পৰে আৰু সেয়েহে সঞ্চয়ৰ পৰিমাণ কমি যায়। তদুপৰি এনে সময়ত মুদ্ৰা মূল্য কমি যোৱাত সঞ্চয়কাৰী সকলৰ সঞ্চিত আমানতৰ মূল্যও কমি যায়। মুদ্ৰাস্ফীতিৰ সময়ত সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাত ৰপ্তানি খণ্ডৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰে। ঘৰুৱা সামগ্ৰীৰ দাম বৃদ্ধি হোৱাত আন্তৰ্জাতিক বজাৰত এইবোৰ সামগ্ৰীৰ চাহিদা কমি যায়। ফলত ৰপ্তানি হ্ৰাস হয়।

### ২.৪.৩ মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ উপায় ঃ

মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিবৰ বাবে চৰকাৰে সাধাৰণতে (ক) মৌদ্ৰিক নীতি (খ) ৰাজকোষীয় নীতি আৰু (গ) অমৌদ্ৰিক নীতি যেনে উৎপাদন বৃদ্ধি নীতি গ্ৰহণ কৰে।

**মৌদ্ৰিক নীতি ঃ** চৰকাৰে গ্ৰহণ কৰা মৌদ্ৰিক নীতিৰ ভিতৰত বেংকৰ হাৰ নীতিটো উল্লেখযোগ্য। বেংকৰ হাৰ হ'ল সেই হাৰ যিটো হাৰত কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকক ঋণ প্ৰদান কৰে। মুদ্ৰাস্ফীতিৰ সময়ত বেংকৰ হাৰ বৃদ্ধি কৰা হয়, যাৰ ফলত বাণিজ্যিক বেংকে বজাৰ হাৰ বৃদ্ধি কৰে। ইয়াৰ ফলত ঋণ গ্ৰহণকাৰীয়ে ঋণ ল'বলৈ নিৰুৎসাহিত হয় আৰু বজাৰত ঋণ হ্ৰাস হৈ মুদ্ৰাস্ফীতি নিয়ন্ত্ৰিত হয়।

**ৰাজকোষীয় নীতি ঃ** এই নীতিক 'আয় আৰু ব্যয়' নীতি বুলিও কোৱা হয়। চৰকাৰী ব্যয় কৰ্তন কৰি দেশত সামগ্ৰিক চাহিদা হ্ৰাস কৰিব পাৰি আৰু মুদ্ৰাস্ফীতিক নিয়ন্ত্ৰিত কৰিব পাৰি। তদুপৰি বিভিন্ন প্ৰকাৰৰ কৰ আৰোপ কৰি জনসাধাৰণৰ হাতত থকা অতিৰিক্ত মুদ্ৰা চৰকাৰৰ হাতলৈ আনিব পাৰি। ইয়াৰ ফলত সামগ্ৰিক চাহিদা হ্ৰাস পাব আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰিত হ'ব। ইয়াৰ উপৰিও চৰকাৰে জনসাধাৰণৰ পৰা ঋণ গ্ৰহণ কৰিও মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব পাৰে।

**উৎপাদন বৃদ্ধি নীতি ঃ** দেশৰ চৰকাৰে অব্যৱহৃত সম্পদৰাজি সঠিক ভাবে ব্যৱহাৰ কৰি উৎপাদন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব পাৰিলে দেশত উৎপাদন বৃদ্ধি হ'ব আৰু সামগ্ৰীৰ বৰ্দ্ধিত চাহিদাৰ হাৰত যোগান বৃদ্ধি হৈ দৰ স্তৰ নিয়ন্ত্ৰিত হ'ব।

## ২.৫ বহনক্ষম উন্নয়ন ঃ

বৰ্তমান পৃথিৱীৰ দেশসমূহৰ মাজত অৰ্থনৈতিক প্ৰগতি লাভৰ বাবে যি প্ৰতিযোগিতাৰ আৰম্ভ হৈছে সিয়ে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া পেলাইছে। পৰিৱেশৰ ধ্বংসই পৃথিৱীৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ভাবুকি মাতি আনিছে। পৃথিৱীৰ উষ্ণতা প্ৰতি শতিকাতেই বৃদ্ধি হ'বলৈ ধৰিছে। তাৰ ফলত গোলকীয় উষ্ণতা (Global Warming) সমস্যাৰ উদ্ভৱ হৈছে। জৈৱ-বৈচিত্ৰ্য হ্ৰাস, জলবায়ু পৰিৱৰ্তন আদি অলেখ সমস্যাই পৰিৱেশ বিনষ্ট কৰিছে।

অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ বাবে যাতে পৰিৱেশৰ ওপৰত বিৰূপ

প্ৰতিক্ৰিয়া নপৰে সেই উদ্দেশ্য আগত ৰাখি ১৯৮৭ চনত Brundtland আয়োগে অবিৰত বা বহনক্ষম উন্নয়ন (Sustainable Development)ৰ ধাৰণাটো দাঙি ধৰিছিল। এই আয়োগ পৰিৱেশ আৰু উন্নয়নৰ বিশ্ব আয়োগ (World Commission on environment and development) বুলিও জনাজাত। আয়োগৰ মতে 'যি অৰ্থনৈতিক উন্নয়নৰ দ্বাৰা বৰ্তমান প্ৰজন্মৰ অভাৱসমূহ দূৰ হ'ব পাৰে অথচ তাৰ লগে লগে ভৱিষ্যৎ প্ৰজন্মৰ অভাৱসমূহৰ দূৰীকৰণৰ ক্ষমতাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহয় সেই অৰ্থনৈতিক উন্নয়নেই হ'ল অবিৰত বা বহনক্ষম অৰ্থনৈতিক উন্নয়ন।' (Sustainable development is development that meets the needs of the present without compromising the ability of future generations to meet their own needs.)।



*আজিৰ প্ৰাচুৰ্যই ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন বসবাসৰ অনুপযুক্ত, সম্পদহীন পৃথিৱী এৰি থৈ যাব পাৰে। সেয়েহে ভৱিষ্যতৰ বাবে সেউজ অৰ্থনীতি আৰু বহনক্ষম উন্নয়নৰ নীতি অৱলম্বন কৰা অতীব প্ৰয়োজন।*

## ২.৬ সেউজ অৰ্থনীতি (Green Economy) ঃ

যি অৰ্থনীতিৰ মূল লক্ষ্য হৈছে পৰিৱেশৰ প্ৰতি থকা ভাবুকি আৰু পৰিস্থিতি তন্ত্ৰ (Ecological system)ৰ সমস্যাৰাজি দূৰ কৰি বহনক্ষম উন্নয়ন লাভ কৰা, তেনে অৰ্থনীতিকে সেউজ অৰ্থনীতি বোলা হয়।

পৰিৱেশ সচেতন ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহৰ বাবে এতিয়া মূলমন্ত্ৰ হৈছে ঃ চিন্তা বিশ্বব্যাপী হওক, কাৰ্যপন্থা স্থানীয় হওক (Think globally ; act locally)।



*অৰ্থনীতিৰ লক্ষ্য হ'ব লাগিব এখন সেউজীয়া পৃথিৱীৰ প্ৰতিপালন।*

# মূলকথা

☞ দৰিদ্ৰতাই এনে এক অৱস্থাক বুজায় য'ত এজন ব্যক্তি তেওঁৰ জীৱনৰ মৌলিক প্ৰয়োজন সমূহ যেনে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধা সমূহৰ পৰা বঞ্চিত হয়।

☞ সম্পদ আৰু আয়ৰ অসম বিতৰণে অৰ্থনৈতিক অসমতা সৃষ্টি কৰে।

☞ দৰিদ্ৰতা সীমাৰেখাই মানুহক দুখীয়া আৰু অদুখীয়াৰ ভাগ কৰে।

☞ গাঁও অঞ্চলত যিজন লোকে দৈনিক নিম্নতম ২৪০০ কেলৰি আৰু চহৰ অঞ্চলত ২১০০ কেলৰি আহৰণ কৰিব নোৱাৰে তেওঁক দুখীয়া বুলি কোৱা হয়।

☞ দৰিদ্ৰতা আপেক্ষিক আৰু চৰম দুই প্ৰকাৰৰ হ'ব পাৰে।

☞ জনসংখ্যা দ্ৰুত বৃদ্ধি, আয় আৰু সম্পদৰ সমবিতৰণৰ অভাৱ, নিবনুৱা সমস্যা ইত্যাদি দৰিদ্ৰতাৰ কাৰণ।

☞ দ্ৰুত জনসংখ্যা বৃদ্ধি ভাৰতৰ অন্য এক জ্বলন্ত সমস্যা। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতত ১২১ কোটি আৰু অসমত ৩ কোটি ১২ লাখ জনসংখ্যা আছে।

☞ উত্তৰ প্ৰদেশ হৈছে আটাইতকৈ বেছি জনবহুল ৰাজ্য।

☞ নিৰক্ষৰতা, দৰিদ্ৰতা, সামাজিক অজ্ঞতা আদি জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ।

☞ যিজন লোকৰ কাম কৰাৰ ইচ্ছা আৰু ক্ষমতা থকা সত্বেও কৰ্মসংস্থাপনৰ সুবিধা নাপায় তেওঁক নিবনুৱা বোলে।

☞ নিবনুৱা গ্ৰাম্য (ঋতুজ আৰু ছদ্মবেশী) আৰু চহৰীয়া (শিক্ষিত আৰু ঔদ্যোগিক) এই দুই প্ৰকাৰৰ।

☞ সংগঠিত খণ্ডত নিয়োগ কৰা শ্ৰমিকৰ সংখ্যা ১০ জন বা ততোধিক। এই সংখ্যা ১০ জনতকৈ কম হ'লে অসংগঠিত খণ্ড বোলে।

☞ মুঠ কৰ্মী জনসংখ্যাক জনসংখ্যাৰে ভাগ কৰি ১০০ৰে পূৰণ কৰিলে কৰ্মী জনসংখ্যা অনুপাত পোৱা যায়।

☞ দ্ৰুত জনসংখ্যা বৃদ্ধি, নিয়োগ বিহীন উন্নয়ন (Jobless growth), স্থবিৰ কৃষি উন্নয়ন, ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা, মন্থৰ ঔদ্যোগীকৰণ আদি নিবনুৱা সমস্যাৰ মূল কাৰণ।

☞ একেৰাহে দৰ স্তৰ বৃদ্ধি হোৱা অৱস্থাক মুদ্ৰাস্ফীতি বোলে।

☞ মুদ্ৰাস্ফীতিৰ কাৰণ— চাহিদাজনিত আৰু ব্যয়জনিত।

☞ অবাধে বৃদ্ধি হোৱা মূল্যস্তৰক মুক্ত মুদ্ৰাস্ফীতি আৰু চৰকাৰী নিয়ন্ত্ৰিত ব্যৱস্থাই মুদ্ৰাস্ফীতিক মুক্ত মুদ্ৰাস্ফীতিতকৈ কমত ৰখাক দমিত মুদ্ৰাস্ফীতি বোলে।

☞ মুদ্ৰাস্ফীতিৰ সময়ত আটাইতকৈ ক্ষতিগ্ৰস্ত শ্ৰেণীটো হৈছে স্থিৰ বেতনভোগী সকল।

☛ মুদ্ৰাস্ফীতিক মৌদ্ৰিক, অমৌদ্ৰিক আৰু ৰাজকোষীয় নীতিৰে নিয়ন্ত্ৰণ কৰিব পাৰি।

☛ ভৱিষ্যৎ প্ৰজন্মৰ উন্নয়ন বিঘ্নিত নকৰাকৈ বৰ্তমান প্ৰজন্মই যি উন্নয়ন কৰিব পাৰে তাক বহনক্ষম উন্নয়ন বোলে।

☛ পৰিৱেশ আৰু পৰিস্থিতি তন্ত্ৰৰ প্ৰতি থকা ভাবুকি সমূহ দূৰ কৰি বহনক্ষম উন্নয়ন লাভ কৰিব বিচৰা অৰ্থনীতিক সেউজ অৰ্থনীতি বোলা হয়।

## অ নু শী ল নী

**অতি চমু/ চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। সংজ্ঞা লিখা—

(ক) দৰিদ্ৰতা (খ) নিবনুৱা (গ) জনসংখ্যাৰ ঘনত্ব

(ঘ) লিংগ অনুপাত (ঙ) চৰম দৰিদ্ৰতা (চ) আপেক্ষিক দৰিদ্ৰতা

(ছ) বহনক্ষম উন্নয়ন (জ) সেউজ অৰ্থনীতি

২। দৰিদ্ৰতাৰ সীমাৰেখা কি? গাঁও অঞ্চল আৰু চহৰ অঞ্চলৰ দৰিদ্ৰতাৰ সীমাৰেখা কি?

৩। ২০১১ চনৰ লোকপিয়লমতে ভাৰতবৰ্ষ আৰু অসমৰ জনসংখ্যা কিমান?

৪। বিশ্বৰ মাটিকালিৰ কিমান শতাংশ ভাৰতত আছে?

৫। ভাৰতৰ সৰ্বাধিক লিংগ অনুপাত থকা ৰাজ্য কোনখন আৰু কিমান?

৬। অসমৰ জনসংখ্যাৰ ঘনত্ব কিমান?

৭। ছদ্মবেশী নিবনুৱা কাক কয়?

৮। মুদ্ৰাস্ফীতি কি?

৯। মুদ্ৰাস্ফীতিৰ কাৰণবোৰ কি কি?

১০। দমিত মুদ্ৰাস্ফীতি কাক বোলে?

১১। অবিধিগত খণ্ডত শ্ৰমিকৰ সংখ্যা কিমান থাকে?

১২। $\text{কৰ্মী জনসংখ্যা} = \frac{\text{মুঠ কৰ্মী সংখ্যা}}{\qquad\qquad} \times ১০০$
সম্পূৰ্ণ কৰা।

১৩। বহনক্ষম উন্নয়নৰ সংজ্ঞাটো কোনখন আয়োগে কেতিয়া আগবঢ়াইছিল?

১৪। পৰিৱেশ চিন্তাবিদসকলে মানুহৰ চিন্তা আৰু কৰ্মৰ মূলমন্ত্ৰ কি হোৱাটো বিচাৰে?

**দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধি সমস্যাৰ মূল কাৰণবোৰ আলোচনা কৰা।

২। দৰিদ্ৰতা কাক কয়? দৰিদ্ৰতাৰ সীমাৰেখাই কিদৰে দৰিদ্ৰতা নিৰূপন কৰে ব্যাখ্যা কৰা।

৩। মুদ্ৰাস্ফীতি কাক বোলে? মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ মূল পদ্ধতিসমূহ আলোচনা কৰা।

৪। নিবনুৱা সমস্যা কাক বোলে? ইয়াৰ প্ৰকাৰ কি কি? এই সমস্যাৰ মূল কাৰণসমূহ উল্লেখ কৰা।

৫। চমুটোকা লিখা ঃ

(ক) ঋতুজ নিবনুৱা

(খ) চাহিদাজনিত আৰু ব্যয়জনিত মুদ্ৰাস্ফীতি

(গ) বহনক্ষম উন্নয়ন

(ঘ) সেউজ অৰ্থনীতি

(ঙ) মুক্ত আৰু দমিত মুদ্ৰাস্ফীতি।